সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক
# ৰঙিলী বাৰ্তা
Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,৪৫ সংখ্যা, ২২ কাতি, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 45 Date of Publication- 9 November 2025 Rs. 10.00/-

## গহপুৰত কনকলতা বৰুৱা বিশ্ববিদ্যালয়ৰ শিলান্যাস কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ



ৰঙিলী বাৰ্তাসেৱা- বিশ্বনাথ জিলাৰ গহপুৰৰ ভোলাগুৰিত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত শ্বহীদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিকভাৱে শিলান্যাস কৰে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কৰ্মস্থলী তথা প্ৰথম অসমীয়া বোলছবি ‘জয়মতী’ৰ নিৰ্মাণস্থলী ভোলাগুৰিত অনুষ্ঠিত এই কাৰ্যসূচীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী গৰাকীয়ে দেশমাতৃৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদ কনকলতাৰ সাহস আৰু ত্যাগৰ কথা স্মৰণ কৰে। ভোলাগুৰি চাহ বাগিচাৰ ৭৩৮ বিঘা পৰিত্যক্ত ভূমি সামৰি প্ৰাণ প্ৰতিষ্ঠা হোৱা বহুপ্ৰত্যাশিত কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়খন হ’ব কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা তথা প্ৰশিক্ষণ (টি-ভেট) প্ৰদানেৰে অসমৰ প্ৰথমখন বিশ্ববিদ্যালয়। বিশ্ববিদ্যালয়খনৰ নিৰ্মাণ প্ৰকল্পৰ ব্যয় ধাৰ্য কৰা হৈছে ৪১৫ কোটি টকা। এই শিলান্যাস অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়- গহপুৰে প্ৰতিজন অসমীয়াৰে হৃদয়ত এক বিশেষ স্থান লাভ কৰি আহিছে। এই ভূমি হৈছে ৰাষ্ট্ৰীয় পতাকাৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ মাত্ৰ ১৭ বছৰ বয়সতে প্ৰাণ আহুতি দিয়া মুক্তিযোদ্ধা শ্বহীদ কনকলতা বৰুৱাৰ জন্মস্থান। তেওঁৰ স্মৃতিত এখন বিশ্ববিদ্যালয় স্থাপনৰ পৰিকল্পনা হৈছে তেওঁৰ প্ৰতি সৰ্বোচ্চ ত্যাগৰ যথোপযুক্ত শ্ৰদ্ধাঞ্জলি। তেওঁৰ ( দুই পৃষ্ঠাত চাওক)



## লখিমপুৰত জনজাতিকৰণ- স্বায়ত্তশাসন প্ৰদানৰ দাবীত টাইপাৰ বিশাল জোঁৰ সমদল



ৰঙিলী বাৰ্তাসেৱা- টাই আহোমসহ ছয় জনগোষ্ঠীয়ে দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ দাবী জনাই আহিছে। যোৱা তিনিটা দশকে কোনো ৰাজনৈতিক দল বা কোনোখন চৰকাৰে এইক্ষেত্ৰত ব্যৱস্থা নল’লে। প্ৰত্যেকটো ৰাজনৈতিক দলে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো কেৱল নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ ইছ্বা হিচাপেহে গ্ৰহণ কৰে। নিৰ্বাচন পাৰ হোৱাৰ পিছত কিন্তু (দহ পৃষ্ঠাত চাওক)

## ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন ‘নাগাৰা সূৰ্য’ ৰামচৰণ ভড়ালীৰ



ৰঙিলী বাৰ্তাসেৱা- পঞ্চভূতত বিলীন হ’ল নাগাৰা নামৰ শিল্পী, মোহন ভাইৰা বঁটাপ্ৰাপক, ‘নাগাৰা সূৰ্য’ ৰামচৰণ ভড়ালীৰ নশ্বৰদেহ। শনিবাৰে হাজাৰ হাজাৰ গুণমুগ্ধৰ উপস্থিতিত নলবাৰী জিলাৰ কুমাৰীকাটাৰ ৰামচৰণ ভড়ালীৰ বাসগৃহৰ সন্মুখত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয় বিশিষ্ট শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া। অসমৰ লোক পৰিবেশ্য কলাৰ পথাৰখন উকা কৰি গ’লগৈ নাগাৰা নামৰ বিখ্যাত পাঠক ৰামচৰণ ভড়ালী। চিতাৰ জুইত চিৰদিনলৈ বিলীন হৈ গ’ল ( দুই পৃষ্ঠাত চাওক)

## অসম ৰাজ্যিক পৰিবহণ নিগমৰ প্ৰতীকৰ স্ৰষ্টা চৌকত আলীৰ দেহাৱসান



ৰঙিলী বাৰ্তাসেৱা- ফুটবলাৰ, দক্ষ হকী খেলুৱৈ, প্ৰথিতযশা চিত্ৰশিল্পী, আলোকচিত্ৰ শিল্পী, মঞ্চ আৰু চলচ্চিত্ৰ জগতৰ খ্যাতিসম্পন্ন অভিনেতা, প্ৰখ্যাত চিকাৰী, প্ৰকৃতিপ্ৰেমী চৌকত আলী আৰুনাই। ১০৩ বছৰত তেজপুৰৰ পৰুৱাস্থিত নিজা বাসগৃহত শনিবাৰে পুৱতি নিশা শেষ নিশ্বাস ত্যাগ কৰে চৌকত আলীয়ে। চৌকত আলীৰ বিয়োগত তেজপুৰৰ ক্ৰীড়াজগত আৰু সাংস্কৃতিক ক্ষেত্ৰত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে জীৱিত অৱস্থাতে (দহ পৃষ্ঠাত চাওক)

## জম্মু-কাশ্মীৰত নিৰাপত্তাৰক্ষীৰ গুলীত নিহত দুই সন্ত্ৰাসবাদী

ৰঙিলী বাৰ্তাসেৱা- জম্মু-কাশ্মীৰত অব্যাহত আছে নিৰাপত্তাৰক্ষীৰ সন্ত্ৰাসবাদ বিৰোধী অভিযান। কাশ্মীৰৰ কুপৱাৰা নিয়ন্ত্ৰণ ৰেখাৰে অনুপ্ৰৱেশৰ চেষ্টা কৰা দুই সন্ত্ৰাসবাদী সদস্য সেনাৰ গুলীত নিহত হৈছে। চোৰাংচোৱাৰ তথ্য লাভ কৰি শুকুৰবাৰে নিৰাপত্তাৰক্ষী আৰু আৰক্ষীয়ে অপাৰেচন পিম্পল আৰম্ভ কৰে। অভিযানৰ সময়ত সেনালৈ গুলীচালনা কৰা সন্ত্ৰাসবাদী দুজন সেনাৰ গুলীত থিতাতে নিহত হয়। সেনাই ছ’চিয়েল মিডিয়াযোগে কৰা প’ষ্টত কয়- ‘৭ নৱেম্বৰত অনুপ্ৰৱেশৰ সন্দৰ্ভত চোৰাংচোৱাই দিয়া তথ্যৰ ভিত্তিত কুপৱাৰাৰ কেৰান খণ্ডত যৌথ অভিযান আৰম্ভ কৰা হয়। ( দুই পৃষ্ঠাত চাওক)

# আজি গুৱাহাটীৰ আকাশত বায়ুসেনাৰ বিশাল এয়াৰ শ্ব'



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীত আজি উৰিব ভাৰতীয় বায়ুসেনাৰ ৭৫খন যুঁজাৰু বিমান। লাচিতঘাটত ভাৰতীয় বায়ুসেনাৰ ৯৩সংখ্যক বায়ুসেনা দিৱসৰ উদযাপনৰ অংশ হিচাপে অনুষ্ঠিত হ'ব বিশেষ এয়াৰ শ্ব'। ইয়াৰ অংশস্বৰূপে ভাৰতীয় বায়ুসেনাৰ কেইবাখনো যুদ্ধবিমানে সম্পূৰ্ণ কৰিলে আখৰা। উল্লেখ্য যে ভাৰতীয় বায়ুসেনাৰ এমআই-১৭, তেজছ, এপাছে, এএলএইচএমকে-১, ডিঅ'-২২৮, চি-২৯৫, চি-১৩০, এএন-৩২, হ'ক, জাগুৱাৰ, হাৰ্ভাৰ্ড, ৰাফেল আদিকে ধৰি ৭৫ খনতকৈ অধিক বিমানে আজি এয়াৰ শ্ব'ত উৰণ প্ৰদৰ্শনত অংশগ্ৰহণ কৰিব। বিগত কেইবাদিনো ধৰি মহানগৰী কঁপাই বায়ুসেনা বাহিনীয়ে

# গহপুৰত কনকলতা বৰুৱা

নামেৰে এখন বিশ্ববিদ্যালয় পূৰ্বেই স্থাপন কৰিব লাগিছিল। সেয়া যিয়েই নহওক, তেওঁৰ উত্তৰাধিকাৰক সন্মান জনাই ৰাজ্যিক বিশ্ববিদ্যালয় প্ৰতিষ্ঠা আটাইতকৈ উপযুক্ত সিদ্ধান্ত। ভাষণ প্ৰসংগত কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে পুনৰ কয়- উত্তৰ-পূৰ্ব শৈক্ষিক পৰিৱেশক ৰূপান্তৰিতকৰণৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ ফলশ্ৰুতিত ২০১৪ চনৰ পৰা অঞ্চলটোত শিক্ষাখণ্ডৰ প্ৰায় চৰ হাজাৰ কোটি টকা বিনিয়োগ হৈছে। কেৱল অসমতেই ৮৫০খনৰো অধিক নতুন বিদ্যালয় স্থাপন কৰা হৈছে এই সময়ছোৱাত। অসমত ১৫খন চিকিৎসা মহাবিদ্যালয়, ২০০খন নতুন দক্ষতা বিকাশ প্ৰতিষ্ঠান স্থাপনৰ সমান্তৰালকৈ উত্তৰ-পূৱতে দেশৰ প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয়ৰো নিৰ্মাণকাৰ্য অব্যাহত আছে। তদুপৰি অঞ্চলটোত শিক্ষা আৰু যোগাযোগ অধ্যয়নৰ প্ৰসাৰৰ বাবে আইজলত ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান (আইআইএমচি) স্থাপন কৰা হৈছে। শেহতীয়াকৈ চৰকাৰে গুৱাহাটীত এখন নতুন ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান (আইআইএমগু)স্থাপনৰ পথ মুকলি কৰিছে। উল্লেখ্য যে ২৭০টা অমৃত কলহৰ মাটিৰে শিল্যানাস কৰা হয় কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ।

শিলান্যাস কাৰ্যসূচীৰ মুকলি ভাষণ দি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয়- বিগত বছৰসমূহত ৰাজ্যৰ শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰী হিচাপে প্ৰায় ২০খন বিশ্ববিদ্যায় আৰু ২৫খনতকৈ অধিক চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কামৰ সৈতে জড়িত হৈ অসমৰ বিকাশৰ যাত্ৰাৰ সংগী হোৱাৰ সৌভাগ্য হৈছে। অসমত স্থাপন হ'বলগীয়া কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা তথা প্ৰশিক্ষণৰ বিশ্ববিদ্যালয়খন ৰাজ্য চৰকাৰে এনে এগৰাকী মহিয়সী নাৰীৰ নামত উছৰ্গা কৰিব বিচাৰিছিল, যিগৰাকী অসম তথা দেশৰ বাবে যুগে যুগে প্ৰেৰণাৰ উৎস হৈ আহিছে। শ্বহীদ কনকলতা বৰুৱাৰ নাম মনলৈ অহাৰ লগে লগে প্ৰতিগৰাকী অসমীয়াৰ মনত দেশপ্ৰেমৰ এক অমল উৎসাহৰ সৃষ্টি কৰে। সেইবাবে বিশ্ববিদ্যালয়খন যাতে ব্যতিক্ৰমী নহয় আৰু নতুন অসমক প্ৰতিনিধিত্ব কৰিব পাৰে, দেশৰ আত্মনিৰ্ভৰশীলতাৰ এক প্ৰতীকস্বৰূপ হৈ পৰে, ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ উত্তৰণ আৰু বিকাশৰ দিশত প্ৰেৰণাৰ কেন্দ্ৰবিন্দু হৈ পৰে, তাৰ বাবে আমি প্ৰচেষ্টা হাতত লৈছিলোঁ। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়- লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ চিন্তাৰে ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পাৰ হোৱাৰ পিছত স্থাপন হ'বলগীয়া শ্বহীদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ে ২০২৫ চনৰ নতুন অসমৰ বিকাশ আৰু বিৱৰ্তনৰ ৰূপকথাক প্ৰতিনিধিত্ব কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মোৰ মাটি, মোৰ দেশ' কাৰ্যসূচীৰ অংশ হিচাপে ২০২৩ বৰ্ষৰ ২০ ছেপ্টেম্বৰৰ পৰা অসমত ৰূপায়ণ কৰা অমৃত কলহ যাত্ৰাৰ কাৰ্যসূচীৰ অধীনত ৰাজ্যৰ প্ৰতিখন গাঁও আৰু পৌৰ এলেকাৰ প্ৰতিটো ৱাৰ্ডৰ প্ৰতিঘৰৰ পৰা সংগ্ৰহ কৰা মাটি অথবা চাউল অমৃত কলহত সংগ্ৰহ কৰা হৈছিল। ৰাজ্যৰ ২৭০টা উন্নয়ন খণ্ড তথা পৌৰ নিগম-নিকায়ৰ পৰা প্ৰেৰিত অমৃত কলহসমূহৰ পৰা দুটাকৈ মুঠ ৫৪০টা কলহ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সংগ্ৰহ কৰাৰ পিছত ইয়াৰে ২৭০টা কলহ নতুন দিল্লীৰ শ্বহীদ স্মাৰকৰ সমীপত নিৰ্মাণ হ'বলগীয়া অমৃত বাতিকাৰ নিৰ্মাণৰ অৰ্থে প্ৰেৰণ কৰি অৱশিষ্ট ২৭০টা কলহ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা কৰিছিল ৰাজ্য চৰকাৰে। এই মাটিকে শ্বহীদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়খন নিৰ্মাণত ব্যৱহাৰ কৰা হ'ব, যাতে উচ্চ শিক্ষা প্ৰতিষ্ঠানখনে অসমৰ জনসাধাৰণৰ আশা আৰু আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব পাৰে। তেওঁ কয়-অসমৰ নালন্দা-তক্ষশীলালৈ ৰূপান্তৰিত হ'ব গহপুৰৰ শ্বহীদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়খন। ভাষণত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়- বিশ্ববিদ্যালয়খনৰ স্থাপনৰ স্থান ভোলাগুৰি চাহ বাগিচাই মহান ঐতিহ্য বহন কৰে। জ্যোতিপ্ৰসাদ আগৰৱালাই কনকলতা বৰুৱাৰ লগতে শোণিতপুৰ জিলাত স্বাধীনতাপ্ৰয়াসী জনগণক মৃত্যু বাহিনীত যোগদান কৰিবলৈ প্ৰেৰণা যোগাইছিল। তেনে এগৰাকী মহান ব্যক্তিৰ দ্বাৰা স্থাপিত চাহ বাগিচাখনতেই বিশ্ববিদ্যালয়খন অংকুৰিত হোৱাৰ দিশে আগবাঢ়িছে। এই বিশ্ববিদ্যালয়খনত ১০ হাজাৰ শিক্ষাৰ্থীয়ে একেলগে অধ্যয়ন কৰিব পৰাকৈ নিৰ্মাণ কৰা হ'ব। ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পিছত ৰাজ্যত স্থাপন হোৱা বিশ্ববিদ্যালয়সমূহ মূলতঃ মহাবিদ্যালয় এখনক আধাৰ কৰি স্থাপন কৰা হৈছিল। কিন্তু শ্বহীদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়খন সম্পূৰ্ণ গ্ৰীন ফিল্ড পৰ্যায়ত আৰম্ভ কৰা হৈছে আৰু এই বিশ্ববিদ্যালয়খনে কেৱল উত্তৰ অসমৰেই নহয়, সমগ্ৰ ৰাজ্যখনৰে মানৱ সম্পদ সৃষ্টিত এক বিশেষ ভূমিকা পালন কৰিব। ভাষণত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই শ্বহীদ কনকলতা বৰুৱাৰ আত্মত্যাগৰ কথা। দ্বাৰে স্মৰণ কৰি কয়- সাহস আৰু ত্যাগৰ গাথাৰে '৪২ৰ গণ বিপ্লৱৰ ইতিহাসত গহপুৰৰ নাম স্বৰ্ণীল আখৰেৰে জিলিকাই ৰাখিছে কনকলতা বৰুৱাৰ ত্যাগে। উল্লেখ্য যে বিশ্ববিদ্যালয়খন স্থাপনৰ বাবে ভোলাগুৰি চাহ বাগিচাৰ ভূমি বাছনি কৰাৰ পৰিপ্ৰেক্ষিতত বাগিচাখনৰ। মিকসকলক ক্ষতিপূৰণৰ বাবে প্ৰদান কৰা প্ৰতিশ্ৰুতি অনুযায়ী এই অনুষ্ঠানতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰামণে তিনিগৰাকী চাহ শ্ৰমিকক আনুষ্ঠানিকভাৱে ভূমিপট্টা প্ৰদান কৰি পট্টা প্ৰদান কাৰ্যসূচীৰো শুভাৰম্ভ কৰে। এই শিলন্যাস অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, অশোক সিংহল, সাংসদ ৰঞ্জিত দত্ত, বিধায়ক উৎপল বৰা, প্ৰমোদ বৰঠাকুৰ, দিগন্ত ঘাটোৱালৰ উপৰি শ্বহীদ কনকলতা বৰুৱাৰ ভাতৃ কালীচৰণ বৰুৱাকে প্ৰমুখ্য কৰি বহুকেইগৰাকী শিক্ষাবিদ আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# প্ৰাগজ্যোতিষ কলেজত ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ সম্পন্ন

ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ৬ আৰু ৭ নৱেম্বৰত গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলেজত ছায়াবাদ আৰু কোঁৱৰ চন্দ্ৰপ্ৰকাশ সিং শীৰ্ষক এখনি ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অনুষ্ঠিত হয়। প্ৰাগজ্যোতিষ কলেজৰ হিন্দী বিভাগৰ লগতে আগ্ৰাৰ কেন্দ্ৰীয় হিন্দী প্ৰতিষ্ঠান আৰু আন্তঃৰাষ্ট্ৰীয় হিন্দী সমিতিৰ উদ্যোগত আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত এই আলোচনা-চক্ৰত মুখ্য অতিথি হিচাপে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ চন্দ্ৰ ডেকাই অংশগ্ৰহণ কৰে। লগতে সন্মানীয় অতিথি ( তিনিপৃষ্ঠাত চাওক)

# বিক্ৰী হ'ব পাৰে ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰু



ৰঙিলী বাৰ্ত্তাসেৱা- সুদীৰ্ঘ ১৮ বছৰৰ প্ৰতীক্ষাৰ অন্তত প্ৰথমবাৰ আইপিএল ট্ৰফীৰ সোৱাদ লাভ কৰিছিল ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে। সংবাদ মাধ্যমৰ খবৰ অনুসৰি অতি সোনকালে বিক্ৰী হ'ব পাৰে আৰচিবি। এয়াই নহয় ইউনাইটেড স্পিৰিটছ লিমিটেডৰ মালিকানাধীন ইংলেণ্ডৰ সংস্থা ডিয়াজিঅ'ই দলটো বিক্ৰী কৰিব বিচাৰিছে। তেওঁলোকৰ আশা ৩১ মাৰ্চৰ ভিতৰত নতুন মালিক পক্ষ চূড়ান্ত হ'ব। আৰচিবি ক্ৰয় কৰাৰ দৌৰত আছে কেবাগৰাকী উদ্যোগপতি। আইপিএলৰ ফাইনেলৰ সময়ৰ পৰাই দলটো বিক্ৰী হোৱাৰ গুঞ্জন আৰম্ভ হৈছিল। ইউনাইটেড স্প'ৰ্টছ তৰফৰ পৰা জনাইছে যে সংস্থাটোৰ লাভৰ ৮.৩ শতাংশ আহে পুৰুষ আৰু মহিলাৰ দুটা ক্ৰিকেট দলৰ ( তিনিপৃষ্ঠাত চাওক)

# ৰাজ্যিক মৰ্যাদাৰে

বিশিষ্ট সাংস্কৃতিক কৰ্মীগৰাকীৰ নশ্বৰদেহ। আৰক্ষীৰ অভিবাদনেৰে যশস্বী শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। শোকাকুল পৰিৱেশৰ মাজত অন্তিম যাত্ৰাৰ সাক্ষী হ'ল বহুজন। নাগাৰা নামৰ জনপ্ৰিয় পাঠক কৈলাস তালুকদাৰকে ধৰি প্ৰয়াত ভৰালীৰ সহযোগী শিল্পীসকলে নাগাৰা, তাল বজাই, নাম গাই তেওঁলোকৰ মৰমৰ অভিভাৱক শিল্পীগৰাকীক শেষ শ্ৰদ্ধা নিবেদন কৰে। উল্লেখ্য যে ওৰেটো জীৱন অসমৰ অন্যতম প্ৰাচীন লোক-সংস্কৃতি নাগাৰা নামৰ লগত জড়িত হৈ লোককলাক প্ৰসাৰিত কৰা নলবাৰী জিলাৰ কুমাৰীকাটা গাঁৱৰ অসম চৰকাৰৰ শিল্পী পেন্সনাৰ ৰামচৰণ ভড়ালীৰ বৃহস্পতি বাৰে নিশা ১২.২০ বজাত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ নিজ বাসগৃহতে দেহাৱসান ঘটিছিল। মৃত্যুৰ সময়ত প্ৰবীণ শিল্পীগৰাকীৰ বয়স হৈছিল ৮৫ বছৰ। ইপিনে, এইগৰাকী নাগাৰা নামৰ মহীৰূহৰ অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত অসংখ্য গুণমুগ্ধই ভিৰ কৰে। শিল্পীজনাৰ অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত উপস্থিত থাকি মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, নলবাৰীৰ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকা, শিল্পীগৰাকীৰ কেইবাগৰাকী ঘনিষ্ঠ, শুভাকাংক্ষীকে ধৰি বিভিন্ন দল-সংগঠনে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই প্ৰয়াত ৰামচৰণ ভৰালীৰ নামত ৰাজ্যিক বঁটা প্ৰৱৰ্তন কৰা আৰু শিল্পীগৰাকীক মৰণোত্তৰভাৱে ৰাজ্যিক পৰ্যায়ৰ সন্মান দিয়াৰ বাবে ৰাজ্য চৰকাৰৰ ওচৰত মুকলি দাবী জনাইছে।

# জম্মু-কাশ্মীৰত

অঞ্চলটোত সন্দেহজনক কাৰ্যকলাপ দেখি সন্ত্ৰাসবাদীক প্ৰত্যাহ্বান জনায় সেনাই। সেই সময়তে দুই সন্ত্ৰাসবাদীয়ে সেনালৈ নিৰ্বিচাৰ গুলীচালনা কৰে। প্ৰত্যুত্তৰত সেনাই চলোৱা গুলীত উগ্ৰপন্থী দুজন থিতাতে নিহত হয়। অপাৰেচন পিম্পল নামেৰে চলোৱা এই অভিযান এতিয়াও অব্যাহত আছে। সেনাই আৰু অধিক উগ্ৰপন্থীৰ সদস্য অঞ্চলটোত আত্মগোপন কৰি থকা বুলি সন্দেহ কৰিছে। ইয়াৰ পূৰ্বে ১৪ অক্টোবৰত কুপৱাৰা জিলাৰ ভাৰত-পাকিস্তান সীমান্তত উগ্ৰপন্থীৰ অনুপ্ৰৱেশৰ চেষ্টা বিফল কৰিছিল সেনাই। সেই সময়তো দুজন উগ্ৰপন্থী নিহত হৈছিল। পেহেলগাম কাণ্ডৰ পিছতো নিয়ন্ত্ৰণ ৰেখাত পাকিস্তান সমৰ্থিত উগ্ৰপন্থী সদস্যই কূটাঘাত সংঘটিত কৰাৰ পৰিকল্পনাৰ কথা চোৰাংচোৱাই বিগত সময়ত সদৰী কৰি আহিছে। ইয়াৰ ভিত্তিত সেনাই অভিযান আৰম্ভ কৰে।

# ‘নাগাৰা সূৰ্য’ ৰামচৰণ ভড়ালীৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ আন এক বেয়া খবৰ। নাগাৰা নামৰ বিশিষ্ট শিল্পী মোহন ভাইৰা বঁটাপ্ৰাপক, নাগাৰা সূৰ্য ৰামচৰণ ভড়ালীয়ে। ওৰেটো জীৱন অসমৰ অন্যতম প্ৰাচীন লোকসংস্কৃতি নাগাৰা নামৰ লগত জড়িত হৈ জগত জিনা নলবাৰী জিলাৰ কুমাৰীকাটা গাঁৱৰ অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ ৰামচৰণ ভড়ালীৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ নিজ বাসগৃহতেই দেহাৱসান হয়। মৃত্যুৰ সময়ত প্ৰবীণ শিল্পীগৰাকীৰ বয়স হৈছিল ৮৫ বছৰ। এইজনা মহান শিল্পীৰ মহাপ্ৰয়াণত শোকস্তব্ধ হৈ পৰে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰ। উল্লেখ্য যে নলবাৰী জিলাৰ কুমাৰীকাটা গাঁৱৰ এটি সাধাৰণ মধ্যবিত্ত পৰিয়ালত জন্মগ্ৰহণ কৰা প্ৰবীণ চিৰসেউজ শিল্পীজনাৰ পিতৃৰ নাম প্ৰয়াত ললিত চন্দ্ৰ ভড়ালী আৰু মাতৃৰ নাম আছিল প্ৰয়াত লক্ষ্মী। প্ৰয়াত ভড়ালীয়ে স্থানীয় ৩২৯নং দেহৰ কালাকুছি প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি জাগাৰা হাইস্কুলত দশম শ্ৰেণীলৈকে অধ্যয়ন কৰে। ১৯৫২ চনত বলোৱা প্ৰগতি যাত্ৰা (দহ পৃষ্ঠাত চাওক)

# ঘোষণা কৰা হ’ল ৫,৫৫০ শিক্ষক পদৰ ফলাফল



ৰঙিলী বাৰ্ত্তাসেৱা- ঘোষণা হ’ল নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫, ৫৫০টা শিক্ষক পদৰ চূড়ান্ত ফলাফল। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰা ফলাফল অনুসৰি নিযুক্তিৰ বাবে যোগ্য হিচাপে বিবেচিত হৈছে ৪, ২৭৯গৰাকী প্ৰাৰ্থী। ইয়াৰে ২, ৯৮০ গৰাকী প্ৰাৰ্থীয়ে নিম্ন প্ৰাথমিকৰ শিক্ষক পদত নিযুক্তি লাভ কৰাৰ বিপৰীতে উচ্চ প্ৰাথমিকৰ শিক্ষক পদত নিযুক্তি লাভ কৰিলে ১, ২৯৯জন প্ৰাৰ্থীয়ে। উল্লেখ্য যে প্ৰাৰ্থীৰ অভাৱত ঘোষণা কৰা ফলাফলত খালী হৈ ৰ’ল নিম্ন প্ৰাথমিক আৰু উচ্চপ্ৰাথমিকৰ ১২৭১টা পদ। ইয়াৰে নিম্ন প্ৰাথমিকত ৮২০টা পদ আৰু উচ্চপ্ৰাথমিকত ৪৫১টা পদত কোনো যোগ্য প্ৰাৰ্থী বিবেচিত নহ’ল। লক্ষণীয়ভাৱে খালী হৈ ৰোৱা অধিকাংশ পদেই সংৰক্ষিত। পাহাৰীয়া জনজাতি আৰু দিব্যাংগৰ বাবে সংৰক্ষিত আছিল খালী হৈ ৰোৱা অধিক পদ। উল্লেখ্য যে ২০২৩ চনৰ ২৬ ডিচেম্বৰত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে শিক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল।

# প্ৰাগজ্যোতিষ কলেজত

ৰূপে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, কেন্দ্ৰীয় হিন্দী সংস্থানৰ সঞ্চালক অধ্যাপক সুনীল বাবুৰাও বন্ধ লকানী আৰু আন্তঃৰাষ্ট্ৰীয় হিন্দী সমিতিৰ ড° ৰবি প্ৰকাশ সিঙে ভাগ লয়। প্ৰাগজ্যোতিষ কলেজৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্তৰ অধ্যক্ষতাত অনুষ্ঠিত এই আলোচনা-চক্ৰত আদৰণী ভাষণ দিয়ে অধ্যাপিকা ড° চন্দনা শৰ্মাই। হিন্দী বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা আলোচনা-চক্ৰত বিশিষ্ট অতিথিৰ ভাষণ দিয়ে ড° জগদীন্দ্ৰ ৰয় চৌধুৰীয়ে। হিন্দী বিভাগৰ অধ্যাপিকা ড° মনালিছা চক্ৰৱৰ্তীৰ শলাগৰ শৰাইৰে সম্পন্ন হোৱা এই আলোচনা-চক্ৰত বহু ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# বিক্ৰী হ’ব পাৰে ৰয়েল

পৰা। সহজ কথা তেওঁলোকৰ বাবে এতিয়া অপৰিহাৰ্য নহয় আৰচিবি। দলটো কিনাৰ দৌৰত থকা উদ্যোগপতিসকলৰ ভিতৰত আছে নিখিল কামাথ, ৰঞ্জন পাই আৰু আদৰ পুনাৱালা। উল্লেখ্য যে আৰচিবিয়ে আইপিএল জয় কৰাৰ পিছত বেংগালুৰুত পদপিষ্ট হৈ ১১জন লোকৰ মৃত্যু হৈছিল। সেই ঘটনাৰ বাবে দোষাৰোপ কৰা হৈছে। দলটোৰ কৰ্তৃপক্ষক ইয়াৰ বাবে ডিয়াজিঅ’ৰ বহু ধন ক্ষতিপূৰণৰ নামত খৰচ হৈছিল। এনে পৰিস্থিতিত তেওঁলোকে দলটো ধৰি ৰাখিব বিচাৰে।

# উজান বজাৰৰ ৰিভাৰ ফ্ৰণ্ট পাৰ্ক উদ্বোধন কৰিলে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে




ৰঙিলী বাৰ্ত্তাসেৱা- মুকলি হ’ল ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰন্ট-সতী ৰাধিকা শান্তি উদ্যান। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে অনুষ্ঠানিকভাৱে এই প্ৰকল্পৰ শুভ উদ্বোধন কৰে। ৩২৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই ব্ৰহ্মপুত্ৰ নদীপাৰ - সতী ৰাধিকা শান্তি উদ্যান নৈসৰ্গিক শোভাৰে আৰৱা বিনোদনৰ এক অনন্য ক্ষেত্ৰ। এই প্ৰকল্পৰ অধীনত কামৰূপ (মহানগৰ) জিলা আযুক্তৰ বাসভৱনৰ পৰা কাছাৰীঘাটলৈ ১.২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰৰ পাৰটো নৈসৰ্গিক শোভাৰে আৰৱা বিনোদনৰ এক অনন্য ক্ষেত্ৰলৈ ৰূপান্তৰ কৰা হৈছে। ব্ৰহ্মপুত্ৰ পাৰৰ ১.২ কিলোমিটাৰ বিস্তৃত বীথিকা, পথ, চাইকেল ট্ৰেক আৰু বহা ঠাইৰ ব্যৱস্থা, শিশুৰ বাবে খেলা ঠাইৰ ব্যৱস্থা, শৰীৰ চৰ্চাৰ সুবিধা আদিকে ধৰি নাগৰিকৰ বাবে বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। এই অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ মন্তব্য-ব্ৰহ্মপুত্ৰ হৈছে অসমৰ সভ্যতাৰ আত্মা আৰু ৰাজ্যখনৰ পুনৰুত্থানৰ সৈতে ই অন্তৰ্নিহিতভাৱে জড়িত হৈ আছে। আজি উদ্বোধন কৰা প্ৰকল্পৰ দ্বাৰা প্ৰযুক্তিৰ সৈতে সংস্কৃতিৰ (দহ পৃষ্ঠাত চাওক)

# জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হোৱা কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে জাগীৰোডত নিৰ্মীয়মাণ টাটা ইলেক্ট্ৰ’নিকছ আউটছ’ৰ্চড ছেমিকণ্ডক্টৰ এছেম্বলী এণ্ড টেষ্ট (অ’এছএটি) প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে প্ৰকল্পটো পৰিদৰ্শন কৰাৰ সমান্তৰালভাৱে ইয়াৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰি অগ্ৰগতিৰ পৰ্যালোচনাতো অংশ লয়। ইয়াৰ পিছতে তেওঁ ‘এণ্টাৰপ্ৰাইজ অসম-বিকশিত ভাৰত ২০৪৭’ শীৰ্ষক এক আলোচনাত অংশগ্ৰহণ কৰে। য’ত উপস্থিত আছিল দুশতকৈও অধিক ছাত্ৰ-ছাত্ৰী, ষ্টাৰ্ট-আপ আৰু উদ্যোগী। এই আলোচনাত ভাষণ দি তেওঁ অসমৰ ঔদ্যোগিক আৰু উদ্ভাৱনৰ পৰিৱেশত যুৱক-যুৱতীসকলৰ বাবে সম্প্ৰসাৰিত হোৱা সুবিধাসমূহৰ ওপৰত আলোকপাত কৰে। বিশেষকৈ ভাৰতৰ প্ৰযুক্তিগত পৰিৱৰ্তনত অসমৰ ভূমিকাক প্ৰশংসা কৰি জাগীৰোডত ৰাজ্যখনৰ নতুন অৰ্ধপৰিবাহী সুবিধা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক টাৰ্নিং পইণ্ট আৰু উদ্ভাৱন (নপৃষ্ঠাত চাওক)

# জুবিনৰ প্ৰাক্তন মেনেজাৰ টাৰছেম মিট্টালক এছআইটিৰ জেৰা



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ৫০ দিন অতিক্ৰম কৰাৰ পাছতহে টাৰছেম মিট্টালক চমন জাৰি কৰিলে এছআইটিয়ে। এছআইটিৰ চমন মৰ্মে শুকুৰবাৰে পুৱা প্ৰায় ৮.৪০ বজাতেই চিআইডিৰ উলুবাৰীৰ মুখ্য কাৰ্যালয়ত উপস্থিত হয় টাৰছেম মিটাল। ৰচঘণ্টীয়া জেৰাৰ অন্তত নিশা প্ৰায় ৮.৩০ বজাত টাৰছেম মিট্টালক ঘৰলৈ যাবলৈ দিয়া হয়। উল্লেখ্য যে অসমৰ বাহিৰেও বহিঃৰাজ্যৰ বিভিন্ন প্ৰান্তত আয়োজিত বহু অনুষ্ঠান পৰিৱেশনৰ ক্ষেত্ৰত এসময়ত মেনেজাৰ হিচাপে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল টাৰছেম মিট্টালে। অকল সংগীত অনুষ্ঠানেই নহয়, জুবিন গাৰ্গৰ ব্যৱসায়ৰো অন্যতম অংশীদাৰ আছিল মিট্টাল। বহু বছৰ ধৰি শিল্পীগৰাকীৰ মেনেজাৰ হিচাপে কৰ্তব্যৰত হোৱা মিট্টালে এসময়ত চাকৰি ত্যাগ কৰি বহিঃৰাজ্যত সংস্থাপিত হৈছিল। তাৰ পাছতেই সিদ্ধাৰ্থ শৰ্মা জুবিনৰ মেনেজাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সিদ্ধাৰ্থ শৰ্মাৰ সৈতে থকা ঘনিষ্ঠতাৰ বাবে টাৰছেম মিট্টালে জুবিন গাৰ্গৰ সৈতে মেনেজাৰ হিচাপে তেওঁক নিয়োগ কৰিছিল। বিগত ৫০টা দিন ধৰি এছআইটিয়ে বিভিন্ন পক্ষৰ মানুহক জেৰা চলোৱাৰ (নপৃষ্ঠাত চাওক)

# অহা ৯ নৱেম্বৰত প্ৰদান কৰা হ'ব প্ৰাথমিক বিদ্যালয়ৰ নিযুক্তি



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যৰ যুৱক-যুৱতীসকললৈ এক সুখবৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ফেচবুক লাইভ। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। বিশেষকৈ নিযুক্তিৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়া মতে, প্ৰাথমিক শিক্ষকৰ নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছত ৯ নৱেম্বৰত প্ৰদান কৰা হ'ব নিযুক্তি। আনহাতে কনিষ্টবলৰ নিযুক্তিৰ সমান্তৰালকৈ চাৰি হাজাৰ কনিষ্টবল পদৰ বাবে আবেদন বিচাৰিব ৰাজ্য চৰকাৰে। চলিত মাহত অথবা ডিচেম্বৰৰ আৰম্ভণিতে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। ইফালে শেহতীয়াকৈ ঘোষিত এডিআৰই পৰীক্ষাৰ ফলাফলৰ পাছত ডিচেম্বৰৰ আৰম্ভণিতে যুৱক-যুৱতীসকলক প্ৰদান কৰা হ'ব নিযুক্তি। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াকো উল্লেখ কৰে যে ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াত তিনি শতাংশ পদ চাহ বাগিচাৰ যুৱক-যুৱতীৰ বাবে সংৰক্ষিত কৰা আছে। এই সংৰক্ষিত পদসমূহত অহা ডিচেম্বৰ মাহৰ আৰম্ভণিতে চাহ বাগিচাৰ যুৱক-যুৱতীসকলক নিযুক্তি প্ৰদান কৰা হ'ব। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই ( নপৃষ্ঠাত চাওক)

# আগন্তুক দুমাহত দুবাৰকৈ অসম ভ্ৰমণ কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে



ৰঙিলী বাৰ্তাসেৱা- অহা ডিচেম্বৰ আৰু জানুৱাৰী মাহত দুবাৰকৈ অসম ভ্ৰমণ কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰধানমন্ত্ৰী মোদীৰ লগতে অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং। উন্নয়নৰ বতৰা লৈ ডিচেম্বৰৰ শেষভাগত আহিব লগা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যতঃ বৰঝাৰস্থিত নৱনিৰ্মিত গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল মুকলি কৰাৰ লগতে নামৰূপত নেন' ইউৰিয়া প্ৰকল্প মুকলি কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীৰ এই আগমন সন্দৰ্ভত সবিশেষ সদৰী কৰি সংবাদ মাধ্যমৰ আগত কয়- আগন্তুক দুমাহত কেইবাটাও ( নপৃষ্ঠাত চাওক)

# মুখ্য তথ্য আয়ুক্ত পদৰ পৰা পদত্যাগ ভাস্কৰজ্যোতি মহন্তৰ




ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য চৰকাৰৰ মুখ্য তথ্য আয়ুক্ত পদৰ পৰা পদত্যাগ কৰিলে ভাস্কৰজ্যোতি মহন্তই। ৰাজ্যপাললৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিলে ৰাজ্যৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্তই। উল্লেখ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ অভিযুক্ত হিচাপে কাৰাগাৰত থকা শ্যামকানু মহন্তৰ বিৰুদ্ধে আৰটিআই আবেদন দাখিল হৈছিল তথ্য আয়ুক্তৰ কাৰ্যালয়ত। মুখ্যতঃ এই আৰটিআইৰ আবেদনৰ পৰিপ্ৰেক্ষিততে ভাস্কৰজ্যোতি মহন্তক মুখ্যমন্ত্ৰীয়ে পদত্যাগৰ বাবে পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰীৰ পৰামৰ্শ মানি ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত পদৰ পৰা পদত্যাগ কৰি ৰাজ্যপাললৈ পদত্যাগ-পত্ৰ প্ৰেৰণ কৰে। ইফালে সমগ্ৰ বিষয়টো সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত ভাস্কৰজ্যোতি মহন্তই কয়- জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সৈতে মোৰ ভাই শ্যামকানু মহন্তৰ নাম সাঙোৰ খাই পৰিছে। বৰ্তমান তেওঁ ন্যায়িক জিম্মাত আছে। এনে পৰিপ্ৰেক্ষিতত মোৰ বিবেকে এটা কথা কৈ আছিল যে যদি মোৰ ভাতৃ সম্পৰ্কীয় কিবা তথ্য বিচাৰি কোনো লোকে আবেদন কৰে, তেতিয়া মানুহৰ মনত যাতে কোনোধৰণৰ সন্দেহ আৰু সংশয় নাথাকে, তাৰ স্বাৰ্থতে মই দায়িত্বৰ পৰা অব্যাহতি ল'লোঁ। ভাস্কৰজ্যোতি মহন্তই ( নপৃষ্ঠাত চাওক)

# নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্য লৈ 'গুৰুশ্ৰী' সন্মান




ৰঙিলী বাৰ্তাসেৱা- কামৰূপ জিলাৰ শুৱালকুছিৰ অন্তৰ্গত বংশৰৰ উদীয়মান অভিনেতা তথা নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্যক 'মায়াবিনী ইভেন এণ্ড এন্টাৰটেইনমেন্টে' যে যোৱা ১ নৱেম্বৰত দিশপুৰস্থিত PWD কনভেনশন চেন্টাৰত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'গুৰুশ্ৰী' সন্মান প্ৰদান কৰে লগতে এটি নাহৰ গছৰ পুলি। প্ৰদান কৰে মায়াবিনী ইভেনৰ পৰিচালিকা হিমাশ্ৰী কলিতাই। বিশ্বজিৎ ৰ এই যাত্ৰা আগন্তুক দিনত অব্যাহত থাকি আৰু অধিক সুনাম কঢ়িয়াই আনি এই অঞ্চলৰ নাম উজ্জ্বলাই তুলিব বুলি মৰম আৰু আশীৰ্বাদ দিয়ে ( নপৃষ্ঠাত চাওক)

# ৯৩সংখ্যক বায়ুসেনা দিৱসৰ বাবে লাচিত ঘাটত বায়ুসেনাৰ বিশেষ প্ৰস্তুতি



ৰঙিলী বাৰ্তাসেৱা- ৯৩সংখ্যক বায়ুসেনা দিৱস উদযাপনৰ অংশ হিচাপে অহা ৯ নৱেম্বৰত গুৱাহাটীৰ লাচিত ঘাটত ভাৰতীয় বায়ুসেনাই অনুষ্ঠিত কৰিবলগীয়া বিশেষ এয়াৰ শ্ব'ৰ আখৰা আৰম্ভ। উল্লেখ্য যে ভাৰতীয় বায়ুসেনা বাহিনীয়ে প্ৰতিবছৰে অনুষ্ঠিত কৰে বিশেষ এয়াৰ শ্ব'। দেশৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত এই বিশেষ অনুষ্ঠানটোৰ চলিত বছৰৰ সংস্কৰণটো অনুষ্ঠিত কৰা হ'ব গুৱাহাটী মহানগৰীত। সেইবাবে যুদ্ধকালীন প্ৰস্তুতিৰে গুৱাহাটীৰ লাচিত ঘাটত বায়ুসেনাই সকলো পদক্ষেপ গ্ৰহণ কৰিছে। লাচিত ঘাটৰ বালিচৰ অস্থায়ীভাৱে সজোৱা হৈছে বায়ুসেনাৰ বিশেষ কেম্প। এয়াৰ শ্ব'টোৰ সৈতে সংগতি ৰাখি বায়ুসেনা বাহিনীৰ জোৱানসকলে পেৰেডো অনুষ্ঠিত কৰে। বিশেষ নাটকীয় ভংগীমাৰে পেৰেডৰ মাজতে হাতত লোৱা ৰাইফল শূন্যলৈ দলিয়াই পুনৰ সুন্দৰভাৱে সাবটি লৈ পেৰেড কৰা দৃশ্যই উপস্থিত সকলোকে অভিভূত কৰি তোলে। বায়ুসেনাৰ এই আখৰা চাবলৈ লাচিত ঘাটৰ অস্থায়ী চৌহদত সমবেত হয় বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ লগতে সৰ্বসাধাৰণ ৰাইজ। পেৰেডৰ মাজতে বায়ুমণ্ডল বিদীৰ্ণ কৰি প্ৰচণ্ড শব্দৰে ইমুৰৰ পৰা ( নপৃষ্ঠাত চাওক)

# বিহাৰত প্ৰথম পৰ্যায়ত অভিলেখসংখ্যক ৬৪.৪৬ শতাংশ ভোটগ্ৰহণ



ৰঙিলী বাৰ্তাসেৱা- শান্তিপূৰ্ণভাৱে বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সামৰণি পৰে । দুটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটদানৰ হাৰ ৬৪.৬ শতাংশ। এই পৰিসংখ্যা ১৯৯৮ চনৰ লোকসভা নিৰ্বাচনৰ পিছত সৰ্বাধিক হিচাপে অভিলেখ ৰচিছে। পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ অনুষ্ঠিত ভোটগ্ৰহণ বেগুচৰাই সমষ্টিত সৰ্বাধিক ৬৭.৩২ শতাংশ ভোটগ্ৰহণ হোৱা বুলি নিৰ্বাচন আয়োগৰ তথ্যত প্ৰকাশ। মুঠ ২৪৩খন আসনৰ ভিতৰত ৰচখন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। ১৮খন জিলাক সামৰি অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটপৰ্বত ১,৩১৪গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা ( নপৃষ্ঠাত চাওক)

# ৰাধা

প্ৰভাত বণিয়া



শৰতৰ পূৰ্ণিমা ৰাতি সুগন্ধত আমোলমোল ফুলিছে শেৱালি
মনত দোলনা লাগিছে সুখে দুখে আছে বৈ প্ৰাণৰ যমুনা নৈ
সুন্দৰী ৰাধা আহে বা নাহে উগুল থুগুল মন
শুনি কি নুশুনি
কি সুৰে বজায় বাঁহী আজি প্ৰভু
কৃষ্ণ গোঁসাই ।

# অণুগল্প

## চামুণ্ডা



ধীৰেন্দ্ৰ কুমাৰ নাথ

আন্ধাৰক ভয় কৰিবলৈ জীয়েকক সাৱধান বাণী শুনাইছিল। বাটৰ কেকুঁৰি এটা পাৰ হওঁতেই আন্ধাৰৰ মুখামুখি হ'ব লগাত পৰিল তাই।

তাইৰ ক্ষত -বিক্ষত দেহ দেখি মাকে মাছ বচা বথি খন হাতত লৈ আগবাঢ়ি গ'ল আন্ধাৰৰ স'তে ভেঁটা -ভেটি হওঁ বুলি।

## চিলা

সুমিত্ৰা বৰগোহাঁই
ধেমাজি



ৰঙা, নীলা, সেউজীয়া কাগজৰে শৈশৱতে চিলা উৰুৱা কথাটো ৰাজীৱৰ পুনৰ সজীৱ হৈ উঠিল। এতিয়া নকৈ এজাক এজাক কৈ বতাহ বলিছে । উৰিছে গামোচা চিলা।

## বচন

নীলোৎপল শইকীয়া, নগাঁও




সময়ৰ শৰ সময়ত মাৰিব লাগে...
হয় হয়..
' সত্য বচন ', নতু ... এহি বুলি সুত্ৰ বোলল..
" ঐয়ে অধম, আজু তোহাক চাৰিব নাহি, এহি গদাৰ কোবত..."...

# ড° ভূপেন হাজৰিকাৰ প্ৰতিটো গানে আমাক আকৃষ্ট কৰে?



অনামিকা(সংগীতা) কলিতা, শুৱালকুছি

বিষয়টো প্ৰিয়। হে মহান শিল্পী তোমাক প্ৰণাম জনাইছোঁ। আমাৰ প্ৰিয় শিল্পী ভাৰত ৰত্নেৰে বিভূষিত শ্ৰদ্ধাৰ ড°ভূপেন হাজৰিকাৰ দেৱৰ মৃত্যু তিথি 5 নৱেম্বৰ অসম তথা ভাৰতবৰ্ষৰ সকলো শিল্পী সমাজে পালন কৰিলে, আমিও শ্ৰদ্ধাৰে সোঁৱৰিলো। এগৰাকী অসমৰ সুযোগ্য সন্তান যাক সংগীতৰ সূৰ্য আখ্য দিয়া হয়, তেনে বিশ্ব বৰেণ্য ব্যক্তি গৰাকী আমাৰ অসম ভূমিপুত্ৰ হিচাপে সকলোৰে গৌৰৱ অনুভৱ কৰে।

তেওঁক শ্ৰদ্ধাৰে প্ৰণিপাত কৰিলোঁ। গুৱাহাটী জালুকবাৰী থকা তেখেতৰ সমাধিক্ষেত্ৰও আছে। এনেকুৱা ব্যক্তি সমাজত খুব কম থাকে যি নিজৰ প্ৰতিভাৰে গোটেই বিশ্বতে নিজৰ নাম উজলাব পাৰে। তাৰ ভিতৰত সংগীতৰ পূজাৰী মহান সংগীতজ্ঞ ড° ভূপেন হাজৰিকাও অন্যতম আছিল। তেখেতৰ কৰ্মৰাজিৰ আমাক অনুপ্ৰাণিত কৰে।

ভাৰত ৰত্ন বিভুষিত অসমৰ সুযোগ্য সন্তান, বিৰল প্ৰতিভাৰ অধিকাৰী, সুকোমল হৃদয়, যাৰ অন্তৰত মানুহৰ প্ৰতি অসীম মৰমৰ থুপ খাই আছিল।

মোৰ দেউতাৰ মুখেৰে শুনা মতে তেও এনে এজন ব্যক্তি আছিল, যি জনে নিজৰ বাদ্যযন্ত্ৰ আদিৰে সহযোগ কৰা সকলক বন্ধুৰ দৰে ব্যৱহাৰ কৰাৰ লগতে তেওঁলোকৰ বিপদ আপদত সহায় হাত আগবঢ়াইছিল। এয়া হয়তো তেখেতৰ আদৰ্শ মাতৃ শান্তিপ্ৰিয়া হাজৰিকা আৰু পিতৃ নীলকান্ত হাজৰিকাৰ পৰাই নীতি-শিক্ষা লাভ কৰিছিল। এইবোৰেই সহজ সৰল মনৰ মানুহৰ গৰাকীৰ ব্যক্তিত্বই আমাক আকৃষ্ট কৰিছিল। ইয়াৰ উপৰিও তেওঁৰ গীতসমূহত মাটিৰ গোন্ধ বিচাৰি পাওঁ। যেনে-

বুকু হম হম কৰে মোৰ আই
কোনে নিদ্ৰা হৰে মোৰ আই
পুত্ৰ হ'ই মই কি মতে তৰো
আই তোৰে হ'ই মই মৰো।।।
অ বিদেশী বন্ধু দুৰ্ভগীয়া
আজি কিয়নো বন্ধু অকল
শৰীয়া ।।।

এই গীত বোৰত লুকাই আছে, তেওঁৰ অসমীয়া মানুহ জাতীৰ প্ৰতি মৰম আৱেগৰ পৰিচয়। ইয়াৰো উপৰি তেওঁ পৰিচালনা কৰা অসমীয়া/ হিন্দী চলচিত্ৰবোৰ যেনে-'পিয়লী ফুকণ', চিকমীক বিজুলী, অশান্ত প্ৰহৰ, এৰাপাটৰ সুৰ, গজগামিনী ইত্যাদিৰ সুন্দৰ অৱদানেৰে অসমীয়া জাতীক অসমীয়া ভাষা, সাহিত্য সংস্কৃতিত বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰি থৈ গৈছে।

এই গৰাকী অসমীয়া সুৰৰ সম্ৰাট বিভিন্ন ভাষাৰ ওপৰত জ্ঞানৰ পৰিধিৰে সংগীতৰ আলোকেৰে জয় যাত্ৰা কৰা ব্যক্তিৰ নাম সদায় ইতিহাসত জিলিকি থাকিব। এই সকলো গুণৰ অধিকাৰী ব্যক্তি গৰাকী মোৰেই নহয় সকলোৰে প্ৰিয় সকলোকে আকৃষ্ট কৰে।

## সন্মানৰ পোচাক

কল্পনা শৰ্মা




" মা তুমি কিয় অলপো সলনি নহ'লা আজিলৈ? দুয়োৰেই মাত্ৰ বোৱা কপোৰ আমাক নিবলৈ আহোতে পিন্ধা! লগৰ বোৰৰ আগত মইয়ে বৰ লাজ পাওঁ!" নাচ-গান-অভিনয় সকলো বিষয়তে বিশেষ পাৰদৰ্শিতা দেখুৱা নামিক স্কুলৰ নৱম শ্ৰেণীৰ মেধাৱী ছাত্ৰী বৰ জীয়ৰীৰ কথাত মাকে ক'লে- "মা'জনী, তই আৰু ভনীয়েৰে সেইবোৰত মন নিদিবি! দেউতাৰে কিমান কষ্ট কৰি, অটো চলাই একমাত্ৰ তহঁতক মানুহ কৰাৰ সপোন দেখিছে! সাজ-পোচাকৰ চখ নালাগে, চাফ-চিকুণ আৰু পৰিপাতি হ'লেই হ'ল! তহঁতেই ডাঙৰ হৈ আমাক গৌৰৱান্বিত কৰিব লাগিব মাজনী! সেয়াই হ'ব আমাৰ সন্মানৰ পোচাক!!"

## ইজুমনিৰ হাঁহি



যমুনা দুলু বৈশ্য, শুৱালকুছি

অৰ্ণৱৰ ভাব ভংগী, চিন্তা-বিচাৰ, ৰুচি, ইজুমনিয়ে হাঁহিলেও সকলোতে তিৰস্কাৰ...।চাৰিওদিশ বিষাক্ত বতাহ -এছাটি এতিয়া পশ্চিমৰ পৰা পূবলৈ ক্ৰিয়া কৰে...!!!

তাইৰ দুচকুত নিতান্তই স্বাভাৱিক ভাবে জীৱন ঘড়ীৰ কাঁটাডাল পুনৰ নিজৰ ফালে ঘূৰাব। সেই দিনটোলৈকে অন্তত...।

# সাহিত্যাচাৰ্য মালিকদেৱৰ জীৱন বৃত্তান্ত

ময়ূৰী বৰগোহাঁই,দশম শ্ৰেণী
জয়মতী উচ্চ মাধ্যমিক বিদ্যালয়, শিৱসাগৰ



সুদূৰ পশ্চিম এৰি,
এৰি থৈ স্বৰ্ণপুৰী ৰাজঅন্তেঃপুৰ
বিজয় সপোন দেখি আহিলোঁ যিদিনা
উজনি সোঁতত মেলি ভটিয়নি ভুৰ;
বিজয়ৰ তৃষা লৈ, গৌৰৱৰ কৰি অভিযান,
লুইত পাৰত গালো দৃপ্ত উচ্ছ্বাসত,
আপোনাৰ বিজয়ৰ গান ।
- মই অসমীয়া

অসমীয়া ভাষা সাহিত্যৰ সংকট কালত যিসকল অসমীয়া সাহিত্যপ্ৰেমীয়ে অহোপুৰুষাৰ্থ কৰি অসমীয়া ভাষা- সাহিত্যৰ মৃতপ্ৰায় শিপাডাল সজীৱ কৰি ৰাখিছিল, সেইসকলৰ ভিতৰত সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিক অন্যতম। তেওঁ অসমীয়া গল্প আৰু উপন্যাস সাহিত্যলৈ এক নতুন তৰংগ বোৱাই আনিছিল। তেখেতক গল্পসম্ৰাট বুলিও কোৱা হয়। অসমৰ মাটি আৰু মানুহৰ সুখ-দুখ, সংগ্ৰাম, প্ৰেম-অপ্ৰেম, হাঁহি-কান্দোন আদি সকলো তেওঁৰ ৰচনাৰাজিত ফুটি উঠিছিল। তেওঁৰ প্ৰতিটো গল্প আৰু উপন্যাসে কাব্যময় পৰিৱেশ সৃষ্টি কৰি পাঠকক চুম্বকৰ দৰে আকৰ্ষণ কৰে। অসমৰ মাটি আৰু মানুহৰ প্ৰতি থকা প্ৰেমৰ সৰ্বোচ্চ নিদৰ্শন স্বৰূপে "মোৰ স্বৰ্গ" নামৰ কবিতাটিত তেখেতৰ কলমেৰে নিগৰি আহিছিল এনেদৰে —

মাটিৰ মানুহ মই
ভালপাওঁ মাটিৰ সৰগ
ভালপাওঁ মাটিৰ মৰম
সিপাৰে বিধাতা আৰু
ইপাৰে হিয়াৰ খলকনি
মই তাৰ সন্ধি অনুপম।

অসমীয়া সাহিত্যত 'অজগৰ' ৰূপে খ্যাত এইগৰাকী মহান মনিষীৰ জন্ম হৈছিল ১৯১৯ চনৰ ১৫ জানুৱাৰীত গোলাঘাটৰ নাহৰণি অঞ্চলত। তেওঁৰ পিতৃৰ নাম আছিল চৈয়দ ৰহমৎ আলি আৰু মাতৃৰ নাম আছিল চৈয়দা লুৎফুন্নিস্থা। তেওঁ ৩৩ নং নাহৰণি নিম্ন বুনিয়াদী বিদ্যালয়ৰ পৰা শিক্ষা জীৱনৰ পাতনি মেলি এই বিদ্যালয়ৰ পৰাই প্ৰাথমিক বৃত্তি লাভ কৰাৰ পাছত দেৰগাওঁ মজলীয়া বিদ্যালয়ত তেওঁ ভৰ্তি হয়। ইয়াৰ পৰৱৰ্তী সময়ত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৯৩৭ চনত ফাৰ্চী ভাষাত লেটাৰসহ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাট মহাবিদ্যালয়ত নামভৰ্তি কৰে আৰু এই মহাবিদ্যালয়ৰ পৰাই ১৯৩৯ চনত আই.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। আই.এ. পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পিছত কটন মহাবিদ্যালয়ত নামভৰ্তি কৰে আৰু ইয়াৰ পৰাই ১৯৪১ চনত ইংৰাজী বিষয়ত অনাচসহঃ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়।

১৯৪২ চনত আবকাৰী বিভাগৰ চাব-ইন্সপেক্টৰ হিচাপে কৰ্মজীৱন আৰম্ভ কৰা মালিকদেৱে দ্বিতীয় মহাসমৰৰ সময়ত সামৰিক বিভাগত যোগ দি প্ৰায় দুবছৰ কাম কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত ১৯৪৬ চনত যোৰহাট মহাবিদ্যালয়ত পাৰ্চী ভাষাৰ প্ৰৱক্তা হিচাপে দুবছৰ কাম কৰি শ্বিলং-গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত প্ৰ'গ্ৰেম এচিষ্টেন্ট হিচাপে যোগ দিয়ে। ডেৰ বছৰ এই কাম কৰাৰ পাছত ঢেকীয়াল হাইস্কুল আৰু কুৰালগুৰি হাইস্কুলত শিক্ষকতা কৰে। তেওঁ ১৯৫০ চনত গোলাঘাট ঢেকীয়াল হাইস্কুলৰ সহকাৰী শিক্ষক আৰু ১৯৫১ চনত কুৰালগুৰি হাইস্কুলৰ প্ৰতিস্থাপক প্ৰধান শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰে। কুৰালগুৰি হাইস্কুলত শিক্ষকতা কৰি থকা সময়তে প্ৰাইভেটকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া সাহিত্যত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে আৰু যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰৱক্তাৰূপে যোগদান কৰে। তেওঁ এই মহাবিদ্যালয়ত ১৯৫১ ৰ পৰা ১৯৭৬ চনলৈ প্ৰৱক্তাৰূপে কাৰ্যনিৰ্বাহ কৰাৰ পিছত এই মহাবিদ্যালয়ৰে অসমীয়া বিভাগৰ মুৰব্বীৰূপে অৱসৰ গ্ৰহণ কৰে ।

অসমীয়া সাহিত্যৰ মুকুটবিহীন সম্ৰাট চৈয়দ আব্দুল মালিকদেৱে ছাত্ৰাৱস্থাৰপৰাই সাহিত্যচৰ্চা কৰিছিল । তেখেতক আধুনিক অসমীয়া গল্প সাহিত্যৰ প্ৰৱৰ্তক বুলি কোৱা হয়।১৯৪৫ চনত বাঁহী আলোচনীত তেখেতৰ প্ৰথমখন উপন্যাস লঃসাঃগু (প্ৰথমে বাঁহী আলোচনীত ১৯৪৫-৪৬ চনত খণ্ড খণ্ডকৈ প্ৰকাশ, পৰৱৰ্তী সময়ত ওমলা ঘৰৰ ধূলি নামেৰে ১৯৬৪ চনত ছপা আকাৰে প্ৰকাশ) খণ্ড খণ্ডকৈ প্ৰকাশ পাইছিল । তেওঁৰ সৃষ্টিশীল কাপেৰে ৬৮ খন উপন্যাস, ২৫ খনৰো অধিক গল্প সংকলন, ৫ খন কাব্য সংকলন, ৩ খন শিশু সাহিত্যৰ পুথি, ২০ খন অনাতাঁৰ নাট, ২ খন হাস্য ব্যংগ মূলক গ্ৰন্থ, ৩ খন ভ্ৰমণ কাহিনী, ৯ খন গৱেষণামূলক গ্ৰন্থ, ৩ খন আত্মজীৱনীৰ সমন্বিতে এটা গীতৰ লগতে অন্যান্য বহুতো পদপুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেখেতে শংকৰদেৱৰ জীৱন ভিত্তিক 'ধন্য নৰ তনু ভাল' আৰু মাধৱদেৱৰ জীৱনভিত্তিক 'প্ৰেম অমৃতৰ নদী' ৰচনা কৰি ধৰ্মীয় সংকীৰ্ণতাৰ উৰ্দ্ধত অৱস্থান কৰিছিল। 'সুৰুযমুখীৰ স্বপ্ন' তেখেতৰ এখন অন্যতম শ্ৰেষ্ঠ উপন্যাস, য'ত পমুৱা মুছলমানসকলৰ দুখ-দুৰ্দশাৰ প্ৰতিচ্ছবি তেওঁ অতি সাৱলীলভাৱে পাঠকৰ মাজত দাঙি ধৰিছে। চৈয়দ আব্দুল মালিকদেৱে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ জীৱন ভিত্তিত 'ৰূপতীৰ্থ যাত্ৰী' নামৰ গ্ৰন্থখন লিখি উলিয়াইছিল। তেখেতৰ গল্প-উপন্যাসৰ পৰা 'জেতুকা পাতৰ দৰে', 'মমতাজ' আদি চলচ্চিত্ৰ নিৰ্মিত হৈছে। তেখেতৰ অন্যান্য ৰচনাসমূহ হ'ল- 'পৰশমণি', 'ৰঙাগড়া', 'মৰহা পাপৰি', 'শিখৰে শিখৰে, 'পোৰা গাঁৱত পহিলা ব'হাগ', 'আধাৰশিলা', 'মাটিৰ চাকি', 'ৰথৰ চকৰী ঘূৰে', 'ছবিঘৰ' ইত্যাদি। তেওঁ যেনেকৈ গল্পকাৰ তথা ঔপন্যাসিক আছিল ঠিক তেনেদৰে এজন সু-কবিও আছিল। তেওঁৰ কবিতাই আমাৰ অসমীয়া সাহিত্য জগতক বাৰুকৈয়ে সমৃদ্ধ কৰিছিল। তেখেতৰ প্ৰথমটি কবিতা প্ৰকাশ পাইছিল ১৯৩৬ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ "জেউতী আলোচনীত"। তেখেতৰ প্ৰথমখন কাব্য সংকলন হ'ল ১৯৪৮ চনত প্ৰকাশিত বেদুইন। তেখেতৰ কবিতাত ৰোমান্টিক আৰু আধুনিক দুয়োটা ভিন্ন ধাৰাৰ মণিকাঞ্চন সংযোগ ঘটিছে। তেখেতৰ কবিতা প্ৰচলিত বৌদ্ধিক নিৰ্মাণ নহয়, তেখেতৰ কবিতা অন্তৰৰ তীব্ৰ ভাৱ অনুভূতিৰ অনায়াস নিৰ্বাচন। তেওঁৰ অন্যান্য কেইখনমান কবিতাপুথি হ'ল 'স্বাক্ষৰ', 'স্বপ্ন-দুঃস্বপ্ন আৰু কিছুকথা' আৰু 'ছন্দহাৰৰ কবিতা'।

বৈচিত্ৰময় সৃষ্টি-শীলতা, মধুৰ ব্যক্তিত্ব, মনোৰম ৰসিক কথকতাৰ বাবে তেওঁ সৰ্বজনপ্ৰিয় এক কিংবদন্তিত পৰিণত হৈছিল। এবাৰ লক্ষীমপুৰৰ এখন সভালৈ তেখেতক নিমন্ত্ৰণ জনোৱা হৈছিল। সেই সভালৈ এজন নব্বৈ বছৰীয়া বৃদ্ধলোকে ১৪ মাইল বাট খোজকাঢ়ি মালিকদেৱক লগ কৰিবলৈ আহিছিল। সেই বৃদ্ধলোকজনে মালিকদেৱক কৈছিল যে তেখেতৰ নাতিটোৱে সদায় মালিকদেৱৰ 'মই অসমীয়া' নামৰ কবিতাটি চিঞৰি চিঞৰি পঢ়িছিল। তেওঁ সেই কবিতাটো শুনি আপ্লুত হৈ পৰিছিল আৰু মালিকদেৱক এবাৰ লগ পাবলৈ উত্তাৱল হৈ পৰিছিল, যেতিয়া তেখেতে জানিবলৈ পাইছিল যে তেখেতৰ ঘৰৰ ওচৰৰে এখন সভালৈ মালিক দেৱক নিমন্ত্ৰণ জনোৱা হৈছে, তেতিয়া আৰু তেওঁ আৰু বৈ থাকিব নোৱাৰিলে, প্ৰখৰ ৰদতো বৃদ্ধলোকজনে ১৪ মাইল বাট খোজকাঢ়ি আহিছিল মাথোঁ মালিকদেৱক এবাৰ লগ পোৱাৰ হেঁপাহতে। তদুপৰি শিক্ষক হিচাপে চৈয়দ আব্দুল মালিক ইমানেই জনপ্ৰিয় আছিল যে তেখেতৰ লেকচাৰ শুনিবলৈ ছাত্ৰ-ছাত্ৰীৰে শ্ৰেণী ভৰি পৰিছিল। অসমীয়া সাহিত্যলৈ মালিকদেৱৰ অৱদানৰ বিষয়ে সুঁৱৰি বিশিষ্ট সাহিত্যিক তথা কথাশিল্পী হোমেন বৰগোহাঁইদেৱে লিখিছে যে- "মালিকে যি বিশাল চিত্ৰশালা সৃষ্টি কৰি থৈ গৈছে সেই চিত্ৰশালাত অসমীয়া সমাজে নিজৰ প্ৰতিচ্ছবি দেখিবলৈ পায়... এই কথা ক'লে বোধহয় অত্যুক্তি কৰা নহ'ব যে আধুনিক যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ পিছত মালিকেই হ'ল দ্বিতীয়জন লেখক যিজনে সমগ্ৰ অসমীয়া জাতিৰ হৃদয় জয় কৰিবলৈ সমৰ্থ হৈছে"।

সাহিত্য অকাডেমী কাউন্সিলৰ সদস্য হিচাপে ১৯৬৩ চনৰ পৰা ১৯৬৯ চনলৈকে দায়িত্ব পালন কৰা চৈয়দ আব্দুল মালিকে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হিচাপেও ১৯৬৯ চনত কাৰ্যনিৰ্বাহ কৰিছিল। জীৱনৰ কোনো এক দিশৰ সূত্ৰতে সীমাবদ্ধ নাথাকি ভাৰতীয় গণ নাট্য সংঘ আৰু কমিউনিষ্ট আন্দোলনৰ সৈতেও ওতঃপ্ৰোতভাৱে জড়িত আছিল আৰু ১৯৮৩ চনত ৰাজ্যসভাৰ সাংসদ হিচাপেও নিৰ্বাচিত হৈছিল। চৈয়দ আব্দুল মালিকদেৱে ১৯৭৭ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ অভয়াপুৰী অধিৱেশনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল । অসমীয়া সাহিত্য জগতৰ উজ্জ্বল জ্যোতিষ্ক চৈয়দ আব্দুল মালিকে ১৯৬৫ চনত 'মাজত মাথো হিমালয়' নামৰ ভ্ৰমণ কাহিনীৰ বাবে 'ছোভিয়েট দেশ নেহৰু' বঁটা আৰু তেওঁৰ উপন্যাস 'অঘৰী আত্মাৰ কাহিনী'ৰ বাবে ১৯৭২ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। অসমীয়া সাহিত্য জগতলৈ উল্লেখনীয় বৰঙণি আগবঢ়োৱা আব্দুল মালিকদেৱক ভাৰত চৰকাৰে ১৯৮৪ চনত পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰাৰ লগতে ১৯৯২ চনত ভাৰত চৰকাৰৰ পদ্মবিভূষণ সন্মানেৰে বিভূষিত কৰিছিল। তেখেতে লাভ কৰা অন্যান্য বঁটা বা সন্মানসমূহ হ'ল- ১৯৯৫ চনত অসম চৰকাৰৰ শংকৰদেৱ বঁটা আৰু আজানপীৰ বঁটা, ১৯৯৭ চনত অসম সাহিত্য সভাৰ সাহিত্যাচাৰ্য উপাধি, ১৯৮৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডি লিট উপাধি, ১৯৯৪ চনত অসম উপত্যকা সাহিত্য বঁটা, ১৯৯৯ চনত সাহিত্য অকাডেমীৰ ফেলোশ্বিপ আদি ।

চৈয়দ আব্দুল মালিক মানুহৰ মাজত জনপ্ৰিয় আছিল তেওঁৰ উদাৰ নৈতিক মানসিকতাৰ বাবে । হিন্দু-মুছলমান আদি বিবিধ ধৰ্মৰ বৃত্তৰ পৰিধিৰ বাহিৰত অৱস্থান কৰি তেওঁ হৈ পৰিছিল সকলোৰে প্ৰিয় এজন দেশপ্ৰেমী অসমীয়া। জাতীয় প্ৰেমত উদ্বুদ্ধ হৈ মালিকদেৱে কৈছিল "মই দ্বিজ, মই শূদ্ৰ, ময়েই বৈষ্ণৱ, বুদ্ধ, মুছলিম মই, যীশুৰ ভকত মই, তাতে মোৰ অসম গৌৰৱ।" তেওঁ সভা সমিতিত দিয়া ভাষণ শুনিবলৈ অজস্ৰ মানুহৰ ভিৰ হৈছিল । তেওঁৰ ভাষণে শ্ৰোতাক মোহাচ্ছন্ন কৰি ৰাখিছিল। তেখেতৰ অসমীয়া ভাষাৰ উপৰিও বাংলা, ফাৰ্চী, হিন্দী, উৰ্দু, ইংৰাজী, উড়িয়া, নেপালী, আৰবী, সংস্কৃত আৰু কোচ ভাষাতো সম্যক দখল আছিল ।

অসমীয়া সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়োৱা এইজন পুৰোধা ব্যক্তিৰ ২০০০ চনৰ ২০ ডিচেম্বৰত দুৰাৰোগ্য কেন্সাৰ ৰোগত মৃত্যু হয় । ২০০০ চনৰ ডিচেম্বৰ মাহৰ ৪ তাৰিখে


জনতাৰ চৰকাৰ
my GOV মেৰী সৰকাৰ
অসম চৰকাৰ
দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ
মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি
শেহতীয়াকৈ স্নাতক উত্তীৰ্ণ
যুৱক-যুৱতীলৈ অসম চৰকাৰৰ উদগনি
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
এবছৰলৈ মাহিলি
২,৫০০
টকাকৈ সাহায্য
আবেদনৰ অন্তিম তাৰিখ
৩০ নৱেম্বৰ ২০২৫
JANASANYOG- 2902/25/9-Nov-25
উদ্দেশ্য
চাকৰিৰ সন্ধানৰত শেহতীয়াকৈ স্নাতক উত্তীৰ্ণসকললৈ সাহায্য প্ৰদান কৰা
প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ উৎসাহিত কৰা
স্ব-নিয়োজনৰ পথ সুগম কৰা
অৰ্হতা
অসমৰ ৰাজ্য/কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতী (মুক্ত বিশ্ববিদ্যালয় আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ বাহিৰে)
অসমৰ স্থায়ী বাসিন্দা
হেল্পলাইন: ৮০৯৯৮৯৭২৬৬
ই-মেইল আই ডি: infochiefministersscheme@gmail.com
ৱেবছাইট: dids.assam.gov.in
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam
dipr.assam.gov.in

# এইবেলি শৰতে আনিছে জানো সুখঃ

নিৰ্মালি বৰা হাজৰীকা, নগাঁও

শৰৎ কাল প্ৰকৃতিয়ে দিয়া অনুপম সময়। বছৰ টোৰ অতিকৈ সুখৰ সময় শৰৎকাল। গ্ৰীস্মকালৰ যন্ত্ৰণাদায়ক গৰম, বাৰিষাৰ বোকা পানীৰ পৰা পৰিত্ৰাণ পোৱাৰ সময়। অসমত এক নাতিশীতোষ্ণ পৰিৱেশ বিৰাজ কৰে এই সময়ত। লাহে লাহে শীতে টোকৰ মাৰে। ধৰিত্ৰীৰ বুকু প্ৰচণ্ড গৰমৰ পৰা শীতল পৰে। পুৱাঁ কুঁৱলীৰ বগা চাদৰে অসমৰ পৰিৱেশ মনোমোহা কৰে। মানুহৰ হৃদয়ত ন-প্ৰাণৰ সঞ্চাৰ হয়।পথাৰত ধানৰ ঠোক লহপহকৈ বাঢ়ি আহে। শুভ্ৰ কহুৱাই শুৱনি কৰে প্ৰকৃতি। সোণত সুৱগা চৰাবলৈ শৰৎৰ আজন্ম লগৰী শেৱালি ফুল ফুলি উঠে। নিশাবোৰ শেৱালিৰ গোন্ধত আমোল-মোলাই উঠে। পুৱাঁ নিয়ৰৰ টোপাল মুকুতাৰ দৰে জিলিকি উঠে। খেতিয়ক সকলেও এইখিনি সময়ত খেতি পথাৰৰ পৰা আহৰি পায়। সময়বোৰ উপভোগ কৰে।



কিন্তু এইবাৰ শৰৎ কালে পূৰ্বৰ দৰে সুখৰ সঞ্চাৰ কৰিবলৈ সক্ষম হোৱা নাই। সকলো থাকিও যেন প্ৰতি অসমীয়াৰ হৃদয়ত বিশাল শূণ্যতা। যি শূণ্যতা কাহানিও পুৰা নহয়। যোৱা ১৯ ছেপ্তেম্বৰ ২০২৫ তাৰিখে কেতিয়াও কোনো অসমীয়াই নিবিছাৰা খবৰ টিয়ে স্তব্ধ কৰি পেলালে অসমীয়াৰ হৃদয়। অকল অসমীয়াই নহয় অসমৰ প্ৰতিটো জাতি জনগোষ্ঠীক তথা ভাৰতবাসীক স্তম্ভিত কৰিলে আমাৰ হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জনৰ আকস্মিক বিয়োগে।এইবেলি শৰতৰ মাদকতা নাই।নাই উন্মাদনা মানুহৰ হৃদয়ত। কি আছিল জুবিন গাৰ্গ। যাৰ বাবে মানুহৰ ইমান আৱেগ আকুলতা। নিজৰ প্ৰাণ দিবলৈও আগবাঢ়ি আহে তেওঁৰ বাবে। ৩৯ হাজাৰ গীতেৰে মোহাচন্ন কৰি ৰখা অসমীয়াৰ বুকুত এটুকুৰা ঘাঁ সৃষ্টি হ'ল। যি কোনো ঔষধে শুকুৱাব নোৱাঁৰে। তেওঁৰ দৰদী কণ্ঠত আছিল যাদু। সুখত -দুখত তেওঁৰ গীত শিশুৰ পৰা বৃদ্ধ লৈকে শুনে। অসমীয়া

*(বাৰপৃষ্ঠাত চাওক)*


## পুতলা নাচ



ৰাজলক্ষ্মী বৰঠাকুৰ

পুতলাই নাচে
টিপ টিপাই,
ৰঙা কাপোৰ
গাত মেৰিয়াই ।
চকু দুটা
জোনাক যেন,
"মিঠা হাঁহি, সুৰে খেলে"
হাত ভৰি
ঘূৰি ঘূৰি নাচে,
পদে পদে
বাজে টুং টাং।
পুতলাৰ নাচ দেখি
ভাব হয় মনত
সময়ৰ তালে তালে নচা
আমি বোৰ মাথোঁ
মানৱ ৰূপি পুতলা।

## তোমাৰ কথা




অভিজিৎ বৰা,
কলিয়াবৰ

তুমি যদি বাটৰুৱা
মই আলি বাট
তামোল চাধা মুখত ভৰাই
পিকাই যোৱা গাত
দেৱালত আকি যোৱা ৰঙীন ছবিৰ নাট
ব্ৰহ্মপুত্ৰ হ'লে উভতাই পঠালে হেঁতেন,
কিন্তু সেয়া বিদেশৰ সাগৰ আছিল...
বুজি নাপালে তেওঁৰ গভীৰতা !
চাদৰৰ আচলৰে মুখ ধাকি
সমাজৰ আগত দুখ মনৰ
মদাৰ হৈ হাঁহি মাৰি থকা
ফাগুণ নেকি তই
তেওঁ বহাগৰ দৰে
মনৰ বাসনাৰে নহয়
হৃদয়ৰ ভাৱনাৰে হোৱা প্ৰেমৰ বৰষুন
গীতৰ মাজত সৃষ্টি হয় শেৱালী আৰু নিয়ৰৰ প্ৰেম
তেওঁ কোন তই জান তই নাজান
গভীৰ নিশা দেখি থকা ভাল লগা
সপোন টো শেষ নহওতে
সাৰ পাই যোৱাৰ বেদনা তই কি বুজিবি
কি দিন আছিল কি দিন হ'ল
মানুহ বোৰ চালা সচাকে ভাল হৈ গ'ল
জুবিন গাৰ্গৰ দৰে হ'ব খুজিছো
সচা কথাবোৰ হাঁহি হাঁহি কবলৈ শিকিছো ।
তেওঁৰ দৰে ভালপাবলৈ শিকিছো
আমাৰ মাতৃ অসম খনক গছ পুলি ৰুবলৈ শিকিছো।
জুবিন দাৰ দৰে সুৰীয়া গীত গাব নোৱাৰোঁ
যদিও চিপ্ চিপ্ বৰষুণত বোকাৰ মাজতো
নাচিবলৈ শিকিছো সুৰীয়া গীতৰ নাচ ।
মিছাক সচা কৰি বুকু ফিন্দাই কোৱা আমাৰ অভিধানত নাই কাৰণ
আমি বোৰ জুবিন প্ৰেমিক ভাই ।

## ষড়যন্ত্ৰৰ চিকাৰ হৈ

দেৱাশীষ গোস্বামী,নগাঁও



ষড়যন্ত্ৰৰ চিকাৰ হৈ
চিৰনিদ্ৰাত তুমি...
কষ্ট পাইছা আজি যিমান তুমি
হাজাৰ গুণ আমাৰ যে
বুজিছানে বাৰু দেখি-শুনি ?
মোহিনী বানৰ বান্ধত
সমগ্ৰ আমি
নোৱাৰো মানিব
তুমি নাই যে বুলি
থকালৈকে চন্দ্ৰ, তৰা আৰু
বেলি...
তোমালৈ থকা মৰমবোৰ
কেতিয়াও নাপালানে বুজি ?
বুজা হ'লে কেতিয়াও
নগ'লাহেতেন
আমাক নিঠৰুৱা কৰি।
চকুৰ লোতকেৰে আজি
অন্ধ আমি
কোনে বাট দেখুৱাব আমাক
আমাৰ হাতত ধৰি ?
নিষ্ঠুৰ নিয়তিয়ে ক'ত পালে
ইমান সাহস আজি ?
বিৰদৰ্পে লৈ হ'ল
হিয়াৰ এটি টুকুৰা চিঙি...
থাকিম সদায়
আমি জ্বলি জ্বলি...
দিনটোত বাৰে বাৰে
তোমাৰ কথাকে ভাবি...
তোমালৈ প্ৰণাম আমাৰ
কোটি কোটি...
দিবা আশীষ আমাক
তোমাৰ হিয়া ভৰি...
শূণ্য আজি আমি
শূণ্যত যে বিলীন তুমি
কিয় এৰি গ'লা আমাক
নিঠৰুৱা কৰি ?
পাৰিম জানো দিব ঘূৰাই
তোমাক তোমাৰ জন্মভূমি ?
লক্ষ্য লক্ষ্য জনতা যে
উদাস আজি
বুকুত বাজিছে
তোমাৰেই সৃষ্টিৰাজি...
নাই কতো
উদ্দাম নৃত্য আজি
কণ্ঠৰ পৰা নিগৰা
তোমাৰ সুৰদি শুনি...
হিয়া ধাকুৰি আজি
কান্দিছো আমি
ঘূৰি আহা
ঘৰৰ ল'ৰা
কোটি কোটি জনতাৰ
মৰমৰ আব্দাৰ শুনি...
কিয় ইমান নিষ্ঠুৰ তুমি আজি ?
শুই আছা কফিনত
শান্তিত চকু যে মুদি...
উঠিব খুজিও
নোৱাৰা তুমি আজি...
থাকিবা য'তেই থাকা
আগৰ সেই উৎপাতবোৰ কৰি...
জীৱন যুঁজত
আগুৱাই যাম আমি
তোমাৰ আদৰ্শকে সৰোগত
কৰি...
সকলোৱে মিলি আমি
গাম মানৱতাৰ গান
তেতিয়াহে পাবা তুমি
তোমাৰ শান্তিৰ ধাম.....

# জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলী

নেতৃত্বাধীন পৰিৱৰ্তনৰ আৰ্হি ৰূপে তেওঁ আখ্যা দিয়ে। অসমৰ যুৱক-যুৱতীসকলক এই সোণালী মুহূৰ্তক আঁকোৱালি লৈ উদ্যোগীকৰণৰ ক্ষেত্ৰত সাহসী অগ্ৰগতি গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে আহ্বান জনায়। কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে কয় যে নীতি বা পুঁজি থকাটো অন্য এটা কথা। কিন্তু যেতিয়া অনুকূল সুবিধাই নতুন আৰু অগতানুগতিক অঞ্চললৈ বিনিয়োগ আনে, তেতিয়াহে প্ৰকৃত উন্নয়ন ঘটে। জাগীৰোডত অৰ্ধপৰিবাহী সুবিধা কেৱল অসমৰ বাবেই নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবেও এক সুযোগ। ই এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰে- আমি কৰিব পাৰোঁ। বিত্তমন্ত্ৰীগৰাকীয়ে জাগীৰোডত অ'এছএটি সুবিধাক প্ৰশংসা কৰি ভাৰতক প্ৰযুক্তিগত আত্মনিৰ্ভৰশীলতাৰ দিশলৈ লৈ যোৱাৰ ক্ষেত্ৰত ইয়াক এক যুগান্তকাৰী পদক্ষেপৰূপে অভিহিত কৰে। তেওঁ পুনৰ কয় যে দেশৰ অন্যতম প্ৰধান উৎপাদন প্ৰকল্প হ'বলগীয়া জাগীৰোডৰ এই অ'এছএটিয়ে দেশৰ স্বাৱলম্বী অৰ্ধপৰিবাহী পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ লক্ষ্য পূৰণ কৰিব। জাগীৰোডৰ অৰ্থপৰিবাহী সুবিধাই ভাৰতৰ অৰ্ধপৰিবাহী উৎপাদন ক্ষমতাক শক্তিশালী কৰাৰ লক্ষ্যৰে চৰকাৰী সমৰ্থিত প্ৰকল্পৰ নেটৱৰ্কৰো অংশ। এই প্ৰকল্পটোৱে ইতিমধ্যে বিশ্বৰ বহু লাখ পেছাদাৰীক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। নিজৰ উদ্যোগতে কেইবাজনো প্ৰবাসীয়ে ইয়াত যোগদান কৰিছে। আনকি মুখ্যমন্ত্ৰী বা প্ৰতিষ্ঠানৰ তৰফৰ পৰা তেওঁলোকক আমন্ত্ৰণ জনাবলগীয়া হোৱা নাই। সেইটোৱে টাটা আৰু অসম উভয়ৰে সৈতে জড়িত আত্মবিশ্বাস আৰু বিশ্বাসৰ বিষয়েই প্ৰতিপন্ন কৰে। এই প্ৰসংগতে ভাৰতৰ বিকাশশীল ষ্টাৰ্ট-আপ ইক' ছিষ্টেমৰ ওপৰত আলোকপাত কৰি অসমৰ যুৱ উদ্যোগীসকলে নতুন পুঁজিৰ সুবিধা লোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়াকৈ গৱেষণা-উন্নয়নৰ বাবে কেৱল চৰকাৰী প্ৰতিষ্ঠানৰ বাবেই নহয়, ব্যক্তিগত ষ্টাৰ্ট-আপৰ কাৰণেও এক লাখ কোটি টকাৰ পুঁজি আগবঢ়াইছে। বীজ পুঁজিৰ পৰা আৰম্ভ কৰি বাণিজ্যিকীকৰণলৈকে কোনো উপযুক্ত ধাৰণা যাতে পুঁজিহীন হৈ নাথাকে সেইটো চৰকাৰে নিশ্চিত কৰিছে। গৱেষণা প্ৰতিষ্ঠানৰ সৈতে সংযোগ স্থাপনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰি তেওঁৰ ভাষ্য- অসমৰ যুৱক-যুৱতীসকলক গুৱাহাটী আইআইটিৰ সৈতে সংস্পৰ্শত থাকিবলৈ মই পৰামৰ্শ দিওঁ। আপোনালোকৰ ধাৰণাসমূহ আগুৱাই লৈ যাব। আপোনাৰ ওচৰত থকা ধাৰণাক উদ্যোগলৈ ৰূপান্তৰ কৰিবলৈ গুৰু, আন্তঃগাঁথনি আৰু পৰিৱেশতন্ত্ৰ আছে। অসমৰ যুৱক-যুৱতীসকলে দৰমহা পোৱা চাকৰিৰ আৰামত সন্তুষ্ট হ'ব নালাগে। আপোনালোকে ৰিস্ক লওক, উদ্ভাৱন কৰক আৰু নিজাকৈ উদ্যোগ গঢ়ি তোলক। সঠিক মেণ্টৰশ্বিপ আৰু পুঁজি এতিয়া আপোনালোকৰ হাতৰ মুঠিতে আছে। এই পৰিদৰ্শনকালতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণ আৰু মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰখ্যাত উদ্যোগপতি তথা টাটা গ্ৰুপৰ প্ৰতিষ্ঠাতা জে এন টাটালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে প্ৰকল্পস্থলীত একোটাকৈ ৰঙা চন্দনৰ পুলি ৰোপণ কৰে। পৰিদৰ্শনকালত মন্ত্ৰী বিমল বড়া, পীযূষ হাজৰিকা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ৰমাকান্ত দেউৰী, ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা, জাগীৰোডৰ অ'এছএটিৰ প্ৰকল্প মুৰব্বী আশিস মিশ্ৰ আদি উপস্থিত আছিল।

# অহা ৯ নৱেম্বৰত প্ৰদান কৰা হ'ব

লণ্ডনৰ পৰা বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ প্ৰসংগ উত্থাপন কৰি কয় যে বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ প্ৰচেষ্টাৰ অংশস্বৰূপে ১৬ আৰু ১৭ নৱেম্বৰত লণ্ডনত উপস্থিত হৈ তেওঁ বিষয়টো লণ্ডন মিউজিয়ামৰ সৈতে আলোচনা কৰিব। অহা ৬মাহৰ বাবে বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ প্ৰক্ৰিয়া কিদৰে আৰম্ভ কৰিব পৰা যায়, সেই সন্দৰ্ভতো আলোচনা কৰিব। মুখ্যমন্ত্ৰীয়ে অহা ১০ ডিচেম্বৰত গুৱাহাটীৰ বৰাগাঁৱত নিৰ্মাণ সম্পূৰ্ণ হোৱা শ্বহীদ স্মাৰক উদ্বোধন কৰা হ'ব বুলি ঘোষণা কৰে। শ্বহীদ স্মাৰক উদ্বোধনৰ আগদিনা ৯ ডিচেম্বৰত ৰাজ্যবাসীক অসম আন্দোলনৰ শ্বহীদসকলক স্মৰণ কৰি এগছিকৈ বন্তিজ্ব লাবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে অহা ১০ নৱেম্বৰৰ পৰা ৰেচন কাৰ্ডযোগে দুখীয়া পৰিয়ালসমূহক ১১৭ টকাত এক কিলোগ্ৰামকৈ দাইল-চেনি-নিমখ দিয়া হ'ব বুলি ঘোষণা কৰে। অৰুণোদয় আঁচনিৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- একাংশ মুছলমান মহিলাই অৰুণোদয় আঁচনি নালাগে বুলি কৈছে। কিন্তু তেওঁলোকে আনুষ্ঠানিকভাৱে লাভ কৰি থকা অৰুণোদয়ৰ ধন লোৱাটো বন্ধ কৰা নাই। অৰুণোদয় আঁচনিয়ে অসমৰ মহিলা সমাজক সন্মান দিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ ফলত বহু মহিলা উপকৃত হৈছে। সেয়েহে চৰকাৰে অহা ১ জানুৱাৰীৰ পৰা ৰেচন কাৰ্ডত এক কিলোগ্ৰামকৈ দাইল-নিমখ-চেনি ১০০ টকাত দিয়াৰো সিদ্ধান্ত লৈছে। ইফালে উচ্ছেদ অভিযানক লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰশ্ন কৰে যে কোনো কাৰণতে উচ্ছেদ অভিযান বন্ধ নহয়। অহা ৯-১০ ডিচেম্বৰত ৰহিকটা বনাঞ্চলত পুনৰ চলিব উচ্ছেদ অভিযান।

# ৯৩সংখ্যক বায়ুসেনা দিৱসৰ বাবে

সিমুৰলৈ তীব্ৰগতিত গমন কৰা যুঁজাৰু বিমানৰ দৃশ্য প্ৰত্যক্ষ কৰি অভিভূত হৈ পৰিল সকলো। উল্লেখ্য যে দিনজুৰি মহানগৰীৰ আকাশমাৰ্গত ৰাফেল-তেজছৰ দৰে যুঁজাৰু বিমানে প্ৰচণ্ড শব্দই খলকনি তোলে। লক্ষণীয় যে অহা ৯ নৱেম্বৰত লাচিত ঘাটত অনুষ্ঠিত হ'বলগীয়া বায়ুসেনাৰ বিশেষ এয়াৰ শ্ব'ৰ অনুষ্ঠানত উপস্থিত থাকিব কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা সেইদিনাখন অনুষ্ঠানটোত উপস্থিত থাকি বায়ুসেনাৰ এয়াৰ শ্ব' উপভোগ কৰিব। জানিব পৰা মতে, নতুন প্ৰজন্মক দেশৰ প্ৰতিৰক্ষা খণ্ডৰ প্ৰতি আকৰ্ষিত কৰি তোলাৰ লক্ষ্যৰে এইবাৰ ভাৰতীয় বায়ুসেনাৰ ব্ৰহ্মপুত্ৰৰ আকাশমাৰ্গত এই আকৰ্ষণীয় এয়াৰ শ্ব'ৰ আয়োজন কৰিছে। প্ৰায় ৩ হাজাৰ দৰ্শকে এয়াৰ শ্ব'টো উপভোগ কৰিব পাৰিব। দক্ষিণপাৰে লাচিত ঘাটৰ লগতে উত্তৰপাৰৰ দুৰ্গা মন্দিৰ, অশ্বক্ৰান্ত মন্দিৰকে ধৰি তিনিটা স্থানত এই অনুষ্ঠানৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। আমন্ত্ৰিত এনচিচি কেডেটৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী তথা বিভিন্ন লোকে এই অনুষ্ঠান ৯ নৱেম্বৰৰ দিনা উপভোগ কৰিব। ভাৰতীয় বায়ুসেনাৰ ইষ্টাৰ্ণ এয়াৰ কমাণ্ডৰ এয়াৰ অফিচাৰ কমাণ্ডিং ইন চীফ এয়াৰ মাৰ্চাল সুব্ৰত সিঙে ইতিমধ্যে এক সংবাদ মেলযোগে উল্লেখ কৰিছে যে কেন্দ্ৰীয়ভাৱে আয়োজন কৰা এই অনুষ্ঠানত ৭৫খনতকৈও অধিক বিমানে উৰণ প্ৰদৰ্শনত অংশগ্ৰহণ কৰিব। তেজছ-ৰাফেলকে ধৰি কেইবাখনো অত্যাধুনিক বিমানে প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ আকাশমাৰ্গত উৰিব। বাগডোগ্ৰা, হাছিমাৰা, গুৱাহাটী, তেজপুৰ, যোৰহাট আৰু চাবুৱা বিমান ঘাটিৰ পৰা এই বিমানসমূহে উৰা মাৰিব। অনুষ্ঠানটোৰ সৈতে সংগতি ৰাখি কিংবদন্তি অসমীয়া শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই প্ৰিয় শিল্পীগৰাকীৰ 'মায়াবিনী'ৰে এয়াৰ শ্ব' আকৰ্ষণীয় কৰি তোলাৰ লগতে শিল্পীগৰাকীলৈ ভাৰতীয় বায়ুসেনাই শ্ৰদ্ধাঞ্জলি জনাব।

# জুবিনৰ প্ৰাক্তন মেনেজাৰ

পাছত টাৰছেম মিট্ৰালক কি কাৰণত তদন্তৰ আওতালৈ অনা হোৱা নাছিল, ইয়াকে লৈ অনুৰাগীসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। বিশেষকৈ শিল্পীগৰাকীৰ সৈতে ব্যৱসায়িক সূত্ৰে টাৰছেম মিট্ৰালৰ ক'ত কিদৰে বিনিয়োগ আছিল সেই বিষয়ত এছআইটিয়ে জেৰা চলাইছিল বুলি বিশেষ সূত্ৰৰ পৰা জানিব পৰা গৈছে। কোনোদিনে ধন সম্পত্তিক গুৰুত্ব নিদিয়া জুবিন গাৰ্গক ব্যৱহাৰ কৰিয়েই বহু লোক ধনী হোৱাৰ অভিযোগ উত্থাপন হোৱাৰ পাছত টাৰছেম মিট্ৰালক চলোৱা জেৰাই তদন্তত যথেষ্ট অগ্ৰগতি দিব বুলি আশা কৰিছে অনুৰাগীসকলে। সদ্য মুক্তিপ্ৰাপ্ত প্ৰিয় শিল্পীগৰাকীৰ অন্তিমখন ছবি 'ৰৈ ৰৈ বিনালে'ৰ প্ৰযোজক শ্যামন্তক গৌতমৰো ভাষ্য এছআইটিয়ে সংগ্ৰহ কৰে। আনহাতে এছআইটিৰ চমন মৰ্মে চিআইডিৰ মুখ্য কাৰ্যালয়ত উপস্থিত হ'ল জুবিন গাৰ্গ ফেন ক্লাবৰ সাধাৰণ সম্পাদক পিকু বৰগোহাঁই অৰশ্যে দুয়োজনকে জেৰাৰ পাছত ঘৰলৈ যাবলৈ দিয়া হয় যদিও পিকু বৰগোহাঁইক পুনৰ অহা ১১ নৱেম্বৰত এছআইটিৰ সন্মুখত হাজিৰ হোৱাৰ নিৰ্দেশ দিয়া হৈছে।

# আগন্তুক দুমাহত

অনুষ্ঠান হাতত লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। প্ৰধানমন্ত্ৰী মোদীয়ে ডিচেম্বৰ মাহৰ শেষভাগত গুৱাহাটী বিমানবন্দৰৰ নতুন টাৰ্মিনেল উদ্বোধন কৰিবলৈ অহাৰ লগতে নামৰূপৰ ১২ লাখ মেট্ৰিকটন ইউৰিয়া-এমোনিয়া প্ৰকল্পৰো শুভ উদ্বোধন কৰিব। আনহাতে জানুৱাৰী মাহত প্ৰধানমন্ত্ৰী মোদীয়ে পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ শুভউদ্বোধন কৰাৰ লগতে কাজিৰঙাৰ এলিভেটেড কৰিড'ৰ, শিলচৰৰ পৰা গুৱাহাটী এক্সপ্ৰেছ কৰিড'ৰ আৰু আইআইএম গুৱাহাটীৰ ভুমিপূজনতো ভাগ ল'ব প্ৰধানমন্ত্ৰীগৰাকীয়ে। আনহাতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ডিচেম্বৰৰ শেষভাগত অথবা জানুৱাৰীৰ প্ৰথমভাগত অসম ভ্ৰমণ কৰি গুৱাহাটীত নিৰ্মাণ কৰা ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্পৰ শুভ উদ্বোধন কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে লগতে বৰদোৱালৈ গৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমিত নিৰ্মাণ কৰা প্ৰকল্পৰো শুভ উদ্বোধন কৰিব। এই ভ্ৰমণকালতে গৃহমন্ত্ৰী অমিত শ্বাহে গুৱাহাটীত ৰাজ্যিক বিজেপিৰ বুথ সমিতিসমূহৰ সভাপতি সন্মিলনতো অংশ ল'ব।

# নৃত্য পৰিচালক বিশ্বজিৎ

বিভিন্ন জনে। উক্ত অনুষ্ঠানটোৰ আৰম্ভণিতেই আমাৰ সকলোৰে আপোন, হিয়াৰ আমঠু, হাৰ্টথ্ৰৰ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে,বৈশ্যৰ তত্বাবধানত নৃত্য প্ৰশিক্ষণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী বিভিন্ন প্ৰান্তত গৈ নৃত্যৰ জৰিয়তে পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে। লগতে অঞ্চলটোৰ নাম উজ্বলাই তুলি এক বৃহত সাফল্য অৰ্জন কৰা পৰিলক্ষিত হৈছে। বৈশ্যৰ এই কৃতিত্বক গুণী-জ্ঞানী ব্যক্তি সকলেও শুভেচ্ছাবাৰ্তা পঠিয়াইছে আৰু শলাগিছে।

# মুখ্য তথ্য আয়ুক্ত পদৰ

ইয়াকো উল্লেখ কৰে যে মোৰ ভাতৃ সন্দৰ্ভত তথ্য আয়ুক্ত কাৰ্যালয়ত যোৱা ৪ নৱেম্বৰত এখন আৰটিআই আবেদন দাখিল হৈছে। এই আবেদনখন দাখিল হোৱাৰ পাছতে মই পদত থকাটো উচিত বুলি নাভাবিলোঁ। ইফালে জুবিন গাৰ্গ প্ৰসংগত প্ৰাক্তন শীৰ্ষ আৰক্ষী বিষয়াগৰাকীয়ে কয় জুবিন মোৰ বহুত আপোন আছিল। জুবিনৰ লগত একেলগে মূকবধিৰৰ কাৰণে কাম কৰিছোঁ। ভৱিষ্যতেও কাম কৰাৰ কথা আছিল। উল্লেখ্য যে ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান পদৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত বিগত ২০২৩ চনৰ ৫ এপ্ৰিলত ৰাজ্য চৰকাৰে মুখ্য তথ্য আয়ুক্ত পদত নিযুক্তি দিছিল ভাস্কৰজ্যোতি মহন্তক ।

# বিহাৰত প্ৰথম পৰ্যায়ত

আগবঢ়াইছে। বিহাৰ বিধানসভা সমষ্টিৰ প্ৰথম পৰ্যায়ৰ মুঠ ভোটাৰৰ সংখ্যা ৩৭, ৫১৩, ৩০২ জন, ইয়াৰে ১৯, ৮৩৫, ৩২৫ জন পুৰুষ ভোটাৰ আৰু ১৭, ৬৭৭, ২১৯ গৰাকী মহিলা ভোটাৰ । তৃতীয় লিংগৰ ভোটাৰ ৭৫৮ জন, আৰু ৮৫ বছৰৰ ওপৰৰ ভোটাৰৰ সংখ্যা ২০৯, ১৭৭ জন । এইবাৰ বিহাৰৰ প্ৰথম পৰ্যায়ৰ ভোটৰ ভিতৰত আছে ১০.৭২ লাখ নতুন ভোটাৰ। ৩৬, ৭৩৩ গ্ৰামাঞ্চলৰ ভোটকেন্দ্ৰসহ সৰ্বমুঠ ৪৫, ৩৪১টা ভোটকেন্দ্ৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হয়। বিহাৰৰ মুখ্য নিৰ্বাচনী আয়ুক্ত বিনোদ গুঞ্জিয়ালে কয় যে এইবাৰৰ নিৰ্বাচন দুই-এটা সৰু-সুৰা ঘটনাৰ বাদে সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়।

# অসম ৰাজ্যিক পৰিবহণ

বহুমুখী ভভাধৰ ব্যক্তিগৰাকীৰ জীৱন-দৰ্শন সংপৃক্ত একাধিক গ্ৰন্থ প্ৰকাশ হোৱাই নহয়, তেজপুৰ ফটোগ্ৰাফী ক্লাবে 'গুণাকৰ' উপাধিৰে বিভূষিত কৰাৰ উপৰি তেজপুৰ জনসাংস্কৃতিক পৰিষদকে ধৰি ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠানৰ দ্বাৰা সম্বৰ্ধিত হোৱা চৌকত আলী দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ আছিল। ১৯২৪ চনৰ ২৪ ডিচেম্বৰত গুৱাহাটীৰ আমবাৰীত জন্মগ্ৰহণ কৰা চৌকত আলীয়ে শৈশৱৰ শিক্ষা গুৱাহাটীতে লাভ কৰাৰ লগতে হাইস্কুলীয়া শিক্ষাও গুৱাহাটীৰ সোণাৰাম হাইস্কুলত লাভ কৰিছিল। ১৯৩৯ চনৰ ছেপ্টেম্বৰত সোণাৰাম হাইস্কুলত নাম লগোৱাৰ পৰাই চৌকত আলীৰ বৰ্ণাঢ্য ক্ৰীড়া জীৱন আৰম্ভ হয়। জীৱনৰ প্ৰথম খেলখনত তেওঁ সোণাৰাম স্কুলৰ হৈ স্কুল টুৰ্নামেণ্টত ফুটবল খেলিছিল। ১৯৪৩ চনৰ পৰা বিখ্যাত মহাৰাণা ক্লাবৰ সদস্য হৈ দেশৰ বিভিন্ন প্ৰান্তত ফুট বল খেলৰ জৰিয়তে তেওঁ গৌৰৱ কঢ়িয়াই আনিছিল। ১৯৭১ চনত অসম ৰাজ্যিক পৰিবহণ নিগম (এএছটিচি)ৰ প্ৰতীকচিহ্নৰ বাবে এক প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। বহু প্ৰতিযোগীৰ লগতে চৌকত আলীয়েও প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। চৌকত আলীয়ে অংকন কৰা ক'লা-বগা ৰঙৰ দৌৰি থকা গঁড়ৰ চিত্ৰখন নিৰ্বাচিত হয়। তাৰ বাবে তেওঁক তেতিয়াৰ নিগমৰ ডেপুটী ডিৰেক্টৰ ভবেন হাজৰিকাই ১০১ টকাৰে পুৰস্কৃত কৰে। তেতিয়াৰে পৰা আজিলৈকে চৌকত আলীয়ে আঁকা এই দৌৰি থকা গঁড়ৰ প্ৰতীকপটবেই চলি আছে পৰিবহণ নিগমৰ বাছ আনহাতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মাৰ ঘনিষ্ঠ সান্নিধ্য লাভ কৰা এসময়ৰ দক্ষ মঞ্চাভিনেতা আলীয়ে ১৯৪৪ চনত গুৱাহাটীত 'পুকাৰ' নামৰ এখন নাটকত অভিনয় কৰি অভিনেতা হিচাপে আত্মপ্ৰকাশ কৰাৰ পিছত বহুকেইখন চলচ্চিত্ৰতো দক্ষতাৰে অভিনয় কৰিছিল। সেই সময়ত 'আৰ্য নাট্যমঞ্চ', 'কুমাৰ ভাস্কৰ নাট্য মন্দিৰ'ত হোৱা বিভিন্ন কালজয়ী নাটকত নিয়মীয়াকৈ অভিনয় কৰা চৌকত আলী এগৰাকী সুদক্ষ কৌতুক অভিনেতা হিচাপে সকলোৰে মাজত সমাদৃত হৈ পৰিছিল। তেওঁৰ দেহাৱসানৰ বতৰা পোৱাৰ পিছতেই পুৱা বাসগৃহত বিভিন্ন অনুষ্ঠানৰ ব্যক্তি উপস্থিত হৈ নশ্বৰদেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত দুজন পুত্ৰ, চাৰিগৰাকী বিবাহিত দুহিতা, নাতি-নাতিনীসহ অসংখ্য গুণমুগ্ধক এৰি থৈ যায়।

# উজান বজাৰৰ ৰিভাৰ

সংমিশ্ৰণ ঘটাই নাগৰিকৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ সক্ষম হ'ব। এই প্ৰকল্পত স্থানীয় জীৱিকা তথা পৰম্পৰাগত আন্তঃগাঁথনি যাতে বিঘ্নিত নহয়, সেই দিশটোৰ প্ৰতিও লক্ষ্য ৰখা হৈছে। নদীপাৰৰ মাছৰ বজাৰখন সংৰক্ষিত হৈ আছে আৰু ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক দৃশ্য উপভোগ কৰাত সাধাৰণ লোক উপকৃত হৈছে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- নদীপাৰ প্ৰকল্প উন্নয়নে গুৱাহাটীক অধিক সুন্দৰ আৰু সাধাৰণ নাগৰিকৰ মনোৰঞ্জনৰ বাবে সুবিধাজনক স্থান তথা পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব। পুৰণি ডিচি অফিচ, মুখ্য ন্যায়িক দণ্ডাধীশৰ পুৰণি কাৰ্যালয় থকা স্থানত নদীপাৰ সৌন্দৰ্য বৰ্ধনৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী মহানগৰীত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা উন্নয়নমূলক প্ৰকল্পসমূহ এতিয়া চকুত পৰাকৈ উদ্ভাসিত হৈছে। এই ভাষণতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- অহা জানুৱাৰী মাহত ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী দলংখন ৰাইজৰ ব্যৱহাৰৰ বাবে মুকলি কৰা হ'ব। এই দলঙে গুৱাহাটীৰ সৌন্দৰ্য বৰ্ধনৰ লগতে যাতায়াত ব্যৱস্থালৈ নতুন পৰিৱৰ্তন আনিব। আনহাতে গুৱাহাটীৰ চাৰিওফালে নিৰ্মাণ হৈ থকা প্ৰায়বোৰ প্ৰকল্পই জানুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এই প্ৰকল্পসমূহে গুৱাহাটীক কেৱল উত্তৰ-পূব ভাৰতৰেই নহয়, দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে গঢ়ি তুলিব। এই প্ৰকল্পসমূহ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বদান্যতা আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সহযোগিতাৰ বাবে সম্ভৱ হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেংগি-কুৰুৱা, গুৱাহাটী-উত্তৰ গুৱাহাটী, পলাশবাৰী-শুৱালকুছি সংযোগী তিনিখন বৃহৎ দলঙৰ নিৰ্মাণকাৰ্য চলি আছে। আজি মুকলি কৰা সতী ৰাধিকা শান্তি উদ্যান ধনৰ বাবে নহয়, গুৱাহাটীবাসী ৰাইজৰ বাবে নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড°শৰ্মাই কয়- কোনো মাতৃয়ে উদ্যানখনলৈ তেওঁ সন্তানক লৈ আহি বিনামূলীয়াকৈ প্ৰৱেশ কৰিব পাৰিব। তদুপৰি পুৱা ৯ বজাপৰ্যন্ত খোজ কাঢ়িবলৈ অহা যিকোনো লোকৰ বাবে উদ্যানখনত প্ৰৱেশ বিনামূলীয়া হ'ব। মুখ্যমন্ত্ৰীয়ে ব'হাগ বিহু পৰ্যন্ত উদ্যানখনত প্ৰৱেশ বিনামূলীয়া কৰিবলৈ স্মাৰ্ট চিটী লিমিটেড আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষক পৰামৰ্শ দিয়ে। এই মকুলি অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ, জয়ন্ত মল্ল বৰুৱা, চৰণ বড়ো, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, মেয়ৰ মৃগেন শৰণীয়া, মুখ্য সচিব ড° ৰবি কোটাৰ লগতে প্ৰশাসনিক শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# লখিমপুৰত জনজাতিকৰণ-

সেই প্ৰতিশ্ৰুতি পাহৰি যায়। এনে প্ৰতিশ্ৰুতি আৰু প্ৰতাৰণা যথেষ্ট হ'ল। তাৰ প্ৰত্যুত্তৰ দিবলৈ এই বাৰ ৰাইজ ওলাই আহিছে। ইয়াৰ আগতে আন্দোলন কৰিবলৈ কেৱল সংগঠনৰ নেতৃত্ব ওলাই আহিছিল। এই বাৰ কিন্তু হিলদল ভাঙি ৰাইজ ওলাই আহিছে। আমি এটা কথা স্পষ্ট কৰি দিছোঁ। আমি কোনো ৰাজনৈতিক দলৰ পাশা খেলৰ গুটি হৈ থাকিব নোৱাৰোঁ। -এই সকীয়নি টাই আহোম যুৱ পৰিষদ, টাইপাৰ কেন্দ্ৰীয় সভাপতি দিগন্ত তামুলীৰ। শনিবাৰে সন্ধিয়া লখিমপুৰত টাই আহোমৰ জনজাতিকৰণ আৰু স্বায়ত্তশাসনৰ দাবীত টাইপা আৰু মহিলা পৰিষদে উলিওৱা এক বিশাল জোঁৰ সমদলত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় সভাপতি দিগন্ত তামুলীয়ে এনেদৰে কয়। দিগন্ত তামুলীয়ে আৰু কয়, ২৫ নৱেম্বৰলৈ আমি দৃষ্টি ৰাখিছোঁ। সেই দিনা বিষয়টো কেন্দ্ৰলৈ যাব লাগিব। ১ ডিচেম্বৰৰ পৰা ১৯ ডিচেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া সংসদৰ শীতকালীন অধিৱেশন আছে। উভয় সদনতে এই বিধেয়কখন উত্থাপন কৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ কৰিব লাগিব। অন্যথা জনজাতিকৰণ নকৰাৰ বাবে যেনেদৰে আমি তৰুণ গগৈৰ চৰকাৰৰ পতন ঘটাইছিলোঁ তেনেদৰে ২০২৬ত বৰ্তমানৰ চৰকাৰৰো আমি পতন ঘটাম। তাৰ বাবে প্ৰয়োজন হ'লে আমি বিকল্প ৰাজনৈতিক চিন্তা চৰ্চা কৰিবলৈও বাধ্য হ'ম। টাইপাৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ভৃগু হাতীমুৰীয়ায়ো চৰকাৰক সকীয়াই কয়, চৰকাৰ মিছলীয়া, জনজাতিকৰণৰ নামত চৰকাৰে মিছা কথা কৈ আহিছে। আমি ইয়াৰ বিৰোধিতা কৰিছোঁ। মিছা কথাৰে আমাক আৰু ঠগিব নোৱাৰিব। এইবাৰ আমি শেষ সকীয়নি দিছোঁ। যদি টাই আহোমক জনজাতিকৰণ নিদিয়ে তেন্তে ২০২৬ত চৰকাৰৰ গাদী লৰিব। উল্লেখ্য যে লখিমপুৰ নগৰৰ ত্যাগক্ষেত্ৰত সন্ধিয়া সহস্ৰাধিক লোক সমৱেত হৈ জোঁৰ সমদল কৰে। সমদলটোৱে সমগ্ৰ নগৰখন পৰিভ্ৰমণ কৰে। আমাক জনজাতিকৰণ লাগিবই। ন' এছ টি, ন' ৰেষ্ট আদি শ্লোগান দি সমদলটোৱে সমগ্ৰ নগৰখন কঁপাই তোলে। এই জোঁৰ সমদল কাৰ্যসূচীত টাইপাৰ কেন্দ্ৰীয় সহঃ সম্পাদক প্ৰাঞ্জল বৰুৱা, কাৰ্যকৰী সদস্য যদুমণি বৰুৱা, উপ-সভাপতি দিপুল তামোলী ফুকন, জিলা সমিতিৰ সভাপতি কৈলাস গগৈ, কাৰ্যকৰী সভাপতি ৰাজু তামোলী, মহিলা পৰিষদৰ কেন্দ্ৰীয় সভানেত্ৰী মন্দিৰা চাংমাই, জিলা সম্পাদিকা অমিয়া বুঢ়াগোহাঁইসহ ভালেমান নেতৃত্বই অংশগ্ৰহণ কৰে।

# আজি গুৱাহাটীৰ আকাশত

আখৰা কৰাৰ পাছতে শনিবাৰে চূড়ান্ত আখৰা প্ৰদৰ্শন কৰে। শনিবাৰে দিনৰ ১২ বজাৰ পৰা লাচিতঘাটৰ আকাশত অনুষ্ঠিত চূড়ান্ত আখৰা স্বচক্ষে প্ৰত্যক্ষ কৰিবলৈ অগণন লোকৰ সমাগম হয়। আকাশমাৰ্গত বিভিন্ন বিমানে আখৰা কৰাৰ সমান্তৰালকৈ লাচিতঘাটৰ অস্থায়ী চৌহদত বায়ুসেনা বাহিনীৰ জোৱানসকলেও আকৰ্ষণীয় পেৰেড অনুষ্ঠিত কৰে। আজি দিনৰ ৰচ বজাৰ পৰা বিশেষ এয়াৰ শ্ব' আৰম্ভ হ'ব। অত্যাধুনিক বিমানসমূহে বাগডোগ্ৰা, হাছিমাৰা, গুৱাহাটী, তেজপুৰ, যোৰহাট আৰু চাবুৱা বিমানঘাটিৰ পৰা উৰা মাৰিব। অকল আকাশমাৰ্গত দৃষ্টিনন্দন উৰণশৈলীয়ে নহয়, বায়ুসেনা দিৱসৰ দিনটোতে কিংবদন্তি অসমীয়া শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই প্ৰিয় শিল্পীগৰাকীৰ 'মায়াবিনী'ৰে এয়াৰ শ্ব'টো আকৰ্ষণীয় কৰি তুলি বায়ুসেনাই শ্ৰদ্ধাও জ্ঞাপন কৰিব। ৰাজ্যৰ নতুন প্ৰজন্মক দেশৰ প্ৰতিৰক্ষা খণ্ডৰ প্ৰতি আকৰ্ষিত কৰি তোলাৰ লক্ষ্যৰে এইবাৰ ভাৰতীয় বায়ুসেনাই এই পদক্ষেপ গ্ৰহণ কৰিছে। লুইতৰ বুকু উত্তাল কৰি মহাবীৰ লাচিতৰ প্ৰতিমূৰ্তিৰ ওপৰেদি ভাৰতীয় বায়ুসেনাৰ তেজস্ব-ৰাফেলকে ধৰি যুদ্ধবিমানসমূহে সেনা বাহিনীৰ শৌৰ্য-বীৰ্যক আকাশমাৰ্গত প্ৰতিধ্বনিত কৰি তুলিব। ইফালে, বায়ু সেনা বাহিনীৰ এয়াৰ শ্ব'ত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে উপস্থিত থকাৰ কথা আছিল যদিও বিশেষ কাৰণত ভ্ৰমণসূচী বাতিল কৰা হৈছে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ। যাৰ বাবে বায়ুসেনাৰ বিশেষ এয়াৰ শ্ব'ত উপস্থিত নাথাকিব ৰাজনাথ সিং। অৱশ্যে বায়ুসেনাৰ কাৰ্যসূচী পূৰ্ব নিৰ্ধাৰিত অনুসৰিয়েই অনুষ্ঠিত হ'ব।

# 'নাগাৰা সূৰ্য' ৰামচৰণ

পাৰ্টীত যোগ দি অভিনয় জগতত প্ৰৱেশ ঘটা বৰেণ্য শিল্পী ভড়ালীয়ে সেই তেতিয়াৰে পৰা দক্ষতাৰে ১৯৬৩ চনলৈ সুদীৰ্ঘ ১১ বছৰ কাল বিভিন্ন যাত্ৰাদলত অভিনয় কৰে। ১৯৬৪ চনত 'দেহৰ কালাকুছি যুৱক নামপাৰ্টী' শীৰ্ষক নাগাৰা নাম দল এটি গঠন কৰি নাগাৰা নামত প্ৰৱেশ কৰি বৰ্তমান পৰ্যন্ত নাগাৰা নামৰ স্বকীয় পদ-কথাৰে নামধৰ্মী ৰাইজক মুগ্ধ কৰি আহিছে। ৰাজ্যৰ বিশেষকৈ নামনি অসমত বহুল প্ৰচলিত নাগাৰা নামক অধিক গণমুখী কৰাৰ লগতে ৰাজ্যৰ বাহিৰলৈ এইবিধ কলা-সংস্কৃতিক চিনাকি কৰাই দিয়াৰ অন্যতম কাণ্ডাৰী আছিল প্ৰয়াত ৰামচৰণ ভড়ালী। ১৯৭৯ চনত অসম আন্দোলনৰ পটভূমিত ৰচিত নাম এটি পৰিৱেশন কৰি গোটেই অসমত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল আৰু নামটো পাঁচ-ছয় বছৰলৈকে ৰাইজৰ অনুৰোধত বিভিন্ন অনুষ্ঠানত পৰিৱেশন কৰিব লগা হৈছিল। নামধৰ্ম প্ৰচাৰত একান্তব্ৰতী ভড়ালীলৈ অসম চৰকাৰে ১৯৯৮ চনত চৰকাৰী স্বীকৃতি হিচাপে শিল্পী পেন্সন প্ৰদান কৰে। পূৰ্বে ১৯৯৪ চনত অসম চৰকাৰৰ পৰা এককালীন সাহায্য লাভ কৰিবলৈ সক্ষম হৈছিল প্ৰয়াত ভৰালী। ২০০২ চনৰ ১২ ছেপ্টেম্বৰত অসম নাট্য সন্মিলনৰ পৰা 'নাগাৰা সূৰ্য' সন্মান, ২০০৮ চনত পূৰ্বাঞ্চলীয় লোক পৰিষদৰ পৰা 'নিবাৰণ বৰা বঁটা', ২০০৮ চনৰ ২৬ এপ্ৰিলত অসম সাংস্কৃতিক মহাসভাৰ পৰা 'জীৱনজোৰা সংস্কৃতি সাধনা বঁটা', ২০১০ চনৰ ২৬ মাৰ্চত 'অসম নাম সমাৰোহ', শ্ৰীশ্ৰী আউনীআটী সত্ৰত প্ৰতিনিধিত্ব কৰা প্ৰয়াত যশস্বী শিল্পীগৰাকীয়ে ২০১০ চনৰ ৫ ডিচেম্বৰত 'অখিল ভাৰতীয় নাম সমাৰোহ'-ত (নতুন দিল্লী) প্ৰতিনিধিত্ব কৰি সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। সেইদৰে, ২০১০ চনৰ ১২ ডিচেম্বৰত 'ভাৰতীয় দলিত সাহিত্য একাডেমী'-ৰ পৰা 'ড° আম্বেদকাৰ কলাশ্ৰী বঁটা', ২০১১ চনত 'জীৱনজোৰা সংস্কৃতি সাধনা বঁটা', ২০১২ চনৰ ২৬ অক্টোবৰৰ পৰা 'National Folklore Support Centre' ৰ পৰা 'টাটা ফেল'শ্বিপ' লাভ, ২০১৫ চনৰ ৩০ এপ্ৰিলত 'এনাজৰী বঁটা', ২০১৭ চনৰ ১১ ফেব্ৰুৱাৰীত 'মোহন ভাইৰা বঁটা' (সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা), ২০২২ চনৰ ১৬ অক্টোবৰত 'নাম শিৰোমণি বঁটা' ২০২৩ চনত দক্ষিণ পকোৰা অঞ্চলৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান প্ৰজন্মৰ 'প্ৰজন্ম বঁটা' লাভ কৰিবলৈ সক্ষম হোৱা জ্যেষ্ঠ শিল্পীগৰাকীয়ে আন বহুতো ৰাজহুৱা সন্মান পাবলৈও সক্ষম হৈছিল। তদুপৰি প্ৰয়াত ভৰালীয়ে বৰ্তমানলৈকে ১৫০খনকৈ নামৰ শ্ৰব্য কেছেট বাণীবদ্ধ কৰি উলিওৱাৰ উপৰি ৩০খনকৈ দৃশ্য-শ্ৰব্য কেছেট বাণীবদ্ধ কৰি উলিয়াইছে। তেওঁ নাগাৰ নামৰ ছখন কিতাপো উপহাৰ দিছে। তদুপৰি 'বিশ্ব বৈৰাগী' আৰু 'নীলম এণ্ড ছাইলেন্ট কিলাৰ' শীৰ্ষক চুটি ছবি আৰু 'দিঠকত হেৰাল সপোন' শীৰ্ষক ছবিতো অভিনয় কৰি অভিনয় প্ৰতিভাৰ পৰিচয় দাঙি দেখুৱাইছে। মৃত্যুৰ সময়ত নাগাৰা নামৰ জনপ্ৰিয় শিল্পীগৰাকীয়ে পত্নী, তিনি পুত্ৰ, দুই কন্যাসহ অনেক গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।


## ENGLISH NEWS SECTION

# Governor interacts with National Integration tour contingent from Binnaguri to Tawang




Guwahati, RB News : Assam Governor Shri Lakshman Prasad Acharya today interacted with a group of 11 students and one teacher from Binnaguri, who are part of a National Integration Tour (NIT) to Tawang, organised under the aegis of Operation Sadbhavana, at Raj Bhavan here. The tour aims to strengthen the spirit of unity and national belongingness among youth, providing participants an opportunity to witness the diverse cultural and historical heritage of different regions of India. Interacting with the students, the Governor hailed their enthusiasm and curiosity to learn about the country's pluralistic culture and tradition. He said that such tours provide young people with a broader vision of India's strength in diversity and inspire them to contribute positively to nation building. Shri Acharya observed, "Every journey is a lesson. When young minds travel to new regions, they not only see different landscapes but also encounter ideas, customs, and values that enrich their understanding of what it means to be an Indian. The more we know each other, the stronger our national fabric becomes."Encouraging the students to dream big and stay rooted in values, the Governor advised them to cultivate leadership qualities, compassion, and commitment towards society. He asked them to focus on education and discipline as tools to shape a better future for themselves and the nation.

## Assam Governor administers oath to APSC Chairperson



Guwahati, RB News : Assam Governor Shri Lakshman Prasad Acharya administered the oath of office to Prabhati Thaosen as the Chairperson of Assam Public Service Commission at a programme held at the Conference Hall in the Brahmaputra wing of Raj Bhavan. Earlier, Chief Secretary to the Govt. of Assam Dr. Ravi Kota sought the permission of the Governor to start the proceedings of the ceremony. Minister of Education Dr. Ranoj Pegu, Addl. Chief Secretaries Govt. of Assam Ajay Tewari, B. Kalyan Charavarthy, Members of the APSC, Commissioner and Secretary to the Governor S.S. Meenakshi Sundaram,Commissioner and Secretary GAD M.S.Manivannan, and several senior government officers were present on the occasion.

## MS Dhoni not retiring, will play IPL 2026: CSK CEO



RB News: CSK CEO Kasi Viswanathan, at an event, confirmed that MS Dhoni is not retiring and will play in IPL 2026. When asked about Dhoni's retirement date, he joked, "I will ask him and get back to you." Dhoni, who retired from international cricket in 2020, is currently the oldest player in the league at 44.

## RCB appoint Malolan Rangarajan as head coach ahead of WPL 2026



RB News: Royal Challengers Bengaluru (RCB) have announced Malolan Rangarajan as their new head coach ahead of the Women's Premier League (WPL) 2026 season. Rangarajan replaces Luke Williams, having served as the team's Assistant Coach during the past two seasons - including their historic title-winning campaign in 2024.

## Kuwait defeat India in Hong Kong Sixes




RB News: Kuwait defeated India by 27 runs in their Hong Kong Sixes 2025 match on Saturday. Kuwait scored 106 runs in their six overs, with their captain Yasin Patel scoring 58*(14). India were dismissed for 79 in 5.4 overs. Robin Uthappa got out for a golden duck, while captain Dinesh Karthik scored 8(4). India finished last in Pool C.

## India win T20I series against Australia



RB News: India claimed a 2-1 series victory over Australia in an anti-climax after the fifth and final T20I was abandoned due to heavy rain and thunderstorms in Brisbane.With this, India have now won four consecutive T20I series against Australia. India were 52/0 in 4.5 overs when rain stopped play. The match started with Australia winning the toss and opting to bowl first. They dropped two easy catches of Abhishek Sharma, and the Indian team took full advantage of it, adding 52 runs in just 4.5 overs without losing a wicket.

## Dhawan, Raina's assets worth 11.14 cr attached by ED in betting platform case



RB News: ED has provisionally attached assets valued at 11.14 crore belonging to former Indian cricketers Suresh Raina and Shikhar Dhawan. The attachment includes mutual fund investments worth 6.64 crore held in the name of Suresh Raina and an immovable property valued at 4.5 crore held in the name of Shikhar Dhawan. This comes after investigations into illegal offshore betting platform 1xBet.

# সাহিত্যাচাৰ্য মালিকদেৱৰ জীৱন

উশাহ-নিশাহ লোৱাত কষ্ট পোৱা বাবে তেওঁক আই চি ইউত ভৰ্তি কৰোৱা হৈছিল । কিন্তু স্বাস্থ্যৰ অধিক অৱনতি ঘটাত তেওঁক নিজ গৃহলৈ ঘূৰাই অনা হয়। আৰু নিজ গৃহতে ১৯ ডিচেম্বৰ ৰাতি ১২ বাজি ২৫ মিনিটত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ ।

চৈয়দ আব্দুল মালিক মানৱ জীৱনৰ বৈচিত্ৰময়তা আৰু গভীৰতম ক্ৰিয়া-প্ৰক্ৰিয়াৰ এগৰাকী সুক্ষ্ম পৰ্যবেক্ষক আছিল। তেওঁ আছিল জাতীয়তাবাদৰ এক বিৰল উদাহৰণ। যেতিয়াই মাতৃভূমি কোনো ৰাজনৈতিক বা সামাজিক সংকটৰ সম্মুখীন হয় তেতিয়াই তেওঁৰ লিখনি অগ্নিস্ফুলিঙ্গ হৈ ফুটি উঠিছিল ।

মৰণৰ আগ-মূহুৰ্তলৈকে সাহিত্য চৰ্চা কৰা সাহিত্যসেৱী অসমীয়া সাহিত্যিক বিৰল । সুদীৰ্ঘ সময়জুৰী সাহিত্য সেৱা আগবঢ়োৱা অসমীয়া সাহিত্যৰ দুৰ্লভ প্ৰতিভাশালী লেখক চৈয়দ আব্দুল মালিকদেৱ আজি আমাৰ মাজত নাই যদিও তেখেত প্ৰতিজন অসমীয়াৰ হৃদয়ত চিৰদিনলৈ সুৰ হৈ অনুৰণিত হৈ থাকিব । বেজবৰুৱাৰ ভাষাৰে-

“ফুলিল মালতী ফুল, সৰি পৰি গ’ল,
বিলোৱা সৌৰভ মাত্ৰ জগতত ৰ’ল ।
ভাগি গ’ল বীণখনি, ছিগি গ’ল তাঁৰ
ৰৈ গ’ল অৱশেষ অমিয়া ঝংকাৰ ।”

# এইবেলি শৰতে

বোলছবি জগত খন পুনৰাই জীয়াই তুলিলে জুবিন গাৰ্গে।

শিল্পীৰ উপৰিও তেওঁ আছিল এজন প্ৰকৃত মাটিৰ মানুহ। মানুহ বুলি ক’লে ভুল হ’ব। তেওঁ স্বয়ং ভগৱান। দুখীয়া আৰ্তজনক সদায় সহায় কৰিছিল। সঁচা কথা ক’বলৈ কাৰোলৈ ভয় কৰা নাছিল। দুনীৰ্তিৰ বিৰুদ্ধে মাত মাতিছিল। এই দৰদী কণ্ঠৰ শিশু সুলভ মানুহজনক হেৰুৱাই আমি কোঙা হৈ পৰিলোঁ। পৃথিৱীৰ বিভিন্ন দেশৰ মানুহ হতবাক হৈছে জুবিনদাৰ প্ৰতি অসমৰ মৰম দেখি। তেওঁৰ মৃত্যুত শেষকৃত্যত লাখ লাখ মানুহৰ সমাগমে বিশ্বঅভিলেখ গঢ়িলে। জুবিন গাৰ্গ এক সন্মোহিনী শক্তি। এক বিশাল সত্তা। জুবিন গাৰ্গে কৈছিল “মই যি কৰি যাম সেইয়া এশ বছৰলৈও কোনেও কৰিব নোৱাঁৰে”। সচাঁকৈ তেওঁ যি কৰি গ’ল সেইয়া কেইবা জনমতো কৰা মানুহ নোলাব। তেওঁ মানুহ জিনিলে। সেইবাবেই তেওঁৰ সমাধি স্থল উপাসনা গৃহলৈ ৰূপান্তৰিত হৈছে। দিনে-নিশাই বৈছে মানুহৰ শ্ৰোত। জ্বলিছে বন্তি ধূপ। জুবিন গাৰ্গৰ কায়িক শৰীৰটো নেদেখাৰ দুখে আহত কৰিব আজীৱন হৃদয়।।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286